REFERENCE
NOT FOR ISSUE
A. L. LIBRARY

# ASSAM
# LEGISLATIVE ASSEMBLY
# DEBATES

## OFFICIAL REPORT

BUDGET SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE SEVENTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

## VOL. VII

**NO.** 12

The 22nd March, 1985

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1985

**(Budget Session)**

**Volume VII**

**No. 12**

Dated, the 22nd March, 1985

Contents | Pages


| | | | |
|---|---|---|---|
| 1. | Questions ... | ... | 1—14 |
| 2. | Voting on Demands for Grants | ... | 15—32 |
| 3. | Adjournment ... | ... | 32 |

Proceedings of the Seventh Session of the Assam Legislative Assembly assembled after the Seventh General Elections under Sovereign Democratic Republican Constitution of India.

The House met in the Assembly Chamber, Dispur, Gauhati on Friday the 22nd March, 1985 with the Deputy Speaker in the Chair, 15 (Fifteen) Ministers 8 (Eight) Ministers of State and 43 (Forty-three) Members present.

## STARRED

## QUESTIONS AND ANSWERS

(To which oral answers were given)

Date : 22nd March, 1985

Mr. DEPUTY SPEAKER.—Now, pending question No. 85. Hon'ble Chief Minister is to speak on this question.

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) :— ১৫ পইণ্টৰ কাৰ্য্যসূচী সম্পৰ্কত বহুখিনি কৰ লগা আছে। গতিকে বিধান সভাৰ শেষত পূৰ্ণ উত্তৰ দিম।

Shri BENOY KUMAR BASUMATARY.—Mr. Deputy Speaker, Sir, may I request you to allow half an hour discussion on this question ?

Shri HITESWAR SAIKIA (Chief Minister) .—Yes, Sir, I also feel that half an hour discussion is necessary. After examining the various points and collecting the necessary information we will definitely come up for discussion on this question to remove the misunderstanding and to give a clear picture. A date will be fixed by the end of the current session for discussion.

Re : Advisory Council

Shri BINOY KUMAR BASUMATARY asked :

*90. Will the Minister, W. P. T. and B. C. be pleased to state—

(a) Whether it is a fact that an Advisory Council for S. T. (P) was held in 2nd quarter of 1984 ?

(b) If so, whether a decision was taken to bear the expenses of locating the Horisinga Circle Office at Horisinga within Darrang District as a part of land reforms under T. S. P. ?

(c) If so, whether this decision has been communicated to the Land Revenue Department ?

Shri RANENDRA NARAYAN BASUMATARI, (Minister, W. P. T. & B. C.) replied :

90. (a)—The meeting of the State Level Advisory Council meeting for the Welfare of S. T. was held in 24th May, 1984.

(b)—The Honourable member raised a point in the meeting that the S. D. C., presently at Tangla be shifted to Horisinga. The Commissioner and Special Secretary, Revenue assured to look into this. There was no such decision taken to bear the expenses of locating the Horisinga Circle Office at Horisinga within Darrang District.

(c)—The Minutes of the Meeting of the Advisory Council, dated 24th May, 1984 was communicated to the Revenue Department vide TAD/STP/338/83/226, dated 9th July, 1984.

Shri BENOY KUMAR BASUMATARY.—Mr. Deputy Speaker, Sir, may I know from the Hon'ble Minister whether it is a fact that Horisinga Circle is included for T. S. P. allocation on the head of Land Reforms ?

Shri RANENDRA NARAYAN BASUMATRY (Minister).—Sir, Horisinga Circle is certainly under T. S. P.

Shri BENOY KUMAR BASUMATARY (Minister).—Sir, May I know from the Hon'ble Minister whether its expenses have been earmarked as a part of land reform under T. S. P.

Shri RANENDRA NARAYAN BASUMATARY (Minister).—Sir, when an Institution or an office is included under T. S. P. then it is incumbent and obligatory on the part of the department concerned to bear all the expenses of the office or the Institution. If a decision is taken to include the same under T. S. P. then it is the responsibility of the T. A. W. B. C. Department to bear the expenses.

Shri BENOY KUMAR BASUMATARY.—Sir, may I know from the Hon'ble Minister whether Government will consider to locate the circle office at Horisinga in view of the fact that it is the largest mouza in the area and major portions of the land area come under this Horisinga Circle form this Horisinga mouza?

Shri RANENDRA NARAYAN BASUMATARY (Minister).—Sir, as I have stated, the Hon'ble member raised a point in the meeting that the office be shifted to Horisinga. The Commissioner and the Special Secretary, Revenue, who was present in meeting of the Advisory Council assured to look into the matter. After that we have not received any more communication from the Revenue Department.

Shri BENOY KUMAR BASUMATARY.—Sir, I understand that an assurance was given in the meeting and decision was also taken accordingly. Therefore, Sir, will the Hon'ble Minister give effect to this decision?

Shri RANENDRA NARAYAN BASUMATARY (Minister).—Sir, as you know the Advisory Council for the Welfare of Scheduled Castes and Tribes is an advisory body and in the meeting of the Council members give advice but the advice tendered may not always find favour with the Department concerned. I have already stated that this is a matter to be decided by the Revenue Department. We have called for a report from the Revenue Department. Only after the receipt of the report from the Revenue Department we can give effect to this decision. Hon'ble Member may kindly wait petiently till then.

শ্ৰীমতী মৃদুলা চহৰীয়া :— উপাধ্যক্ষ মহোদয়, হৰিশিঙা চাৰ্কোলটো টি, এচ, পি মিন কৰা হৈছেনেকি ? দাকুৱা মৌজা, হৰিশিঙা মৌজা লৈ হৰিশিঙা চাৰ্কোলটো হৈছে। টংলাত ১৯৮১ চনত স্থাপিত হৈছে। গতিকে এইটো টি, এচ, পিত নহয়নেকি ?

Shri RANENDRA NARAYAN BASUMATARY (Minister).—Sir, I have no clear knowledge in the whole matter. I have come to know that one S. D. C.'s Office was established at Tongla long time back. As I have stated Sir, the whole matter is to be examined by the Revenue Department.

Starred question No. 91 was not put member being absent.

বি: শিক্ষকৰ গ্ৰেচুইটি।

শ্ৰীমথুৰা ডেকাই সুধিছে :

*৯২। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ১৯৭৫ চনৰ ৪ ছেপ্তেম্বৰ তাৰিখৰ অসম বাজ্যিক প্ৰাথমিক/মজলীয়া স্কুলৰ শিক্ষকৰ চাকৰি সমূহ চৰকাৰীকৰণ কৰি ৫৬ বছৰ ৬ মাহৰ পৰা ৫৮ বছৰ হোৱা শিক্ষক সকলক চাকৰিৰ পৰা বিদায় দিয়াৰ পিচতে সেই শিক্ষক সকলক গ্ৰেচুইটি নিদিয়াৰ কথা চৰকাৰে জানেনে ?

(খ) যদি জানে, সেই শিক্ষক সকলক গ্ৰেচুইটি দিয়াৰ ব্যৱস্থা লবনে ?

শ্ৰীমুকুট শৰ্মা (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

৯২। (ক) হয়, জানে।

(খ) সম্প্ৰতি চৰকাৰে তেনে ব্যৱস্থা লোৱাৰ কথা ভবা নাই।

শ্ৰীমথুৰা ডেকা :— উপাধ্যক্ষ মহোদয়, চৰকাৰৰ এটা দায়িত্ব থাকে। গতিকে যিসকল শিক্ষকক হঠাতে বাতিৰ ভিতৰতে বিদায় দিয়াৰ কথাটো চৰকাৰে চিন্তা নকৰেনে ?

শ্ৰীমুকুট শৰ্মা (মন্ত্ৰী) :— উপাধ্যক্ষ মহোদয়, চৰকাৰৰ সেই শিক্ষক সকলৰ প্ৰতি সদায় সহানুভূতিশীল। আৰু যিসকল শিক্ষক ৬০ বছৰ বয়সলৈকে আছে তেওঁলোকক মাহে ৭৫ টকাকৈ দিয়া হৈছে। কম্পালচৰি প্ৰভিদেন্দ ফান্দ চৰকাৰৰ অংশসহ তেওঁলোকক দি দিয়া হৈছে।

শ্ৰীমথুৰা ডেকা :— উপাধ্যক্ষ মহোদয়, এই শিক্ষক সকলক হঠাতে বিদায় দিয়া হৈছে আৰু তেওঁলোকে পইচা পোৱা নাই।

শ্ৰীমুকুট শৰ্মা (মন্ত্ৰী) :— উপাধ্যক্ষ মহোদয়, মই আগতেই কৈছো যে, তেওঁলোকক ৬০ বছৰ বয়সলৈকে ৭৫ টকা কৰি দিয়া হৈছে। সেই সময়ত শিক্ষক সকলৰ প্ৰতিনিধি সকলৰ লগত আলোচনা কৰিহে তেওঁলোকৰ সপেক্ষে এই ব্যৱস্থা লোৱা হৈছিল।

শ্ৰীমথুৰা ডেকা ঃ— এই সকল ৬০ বছৰীয়া শিক্ষক নহয়, এই সকল হ'ল ৫৮ বছৰীয়া শিক্ষক। শিক্ষক সকলক চাৰ্কোলাৰ দি এইটো কৰা হৈছে।

শ্ৰীমুকুট শৰ্মা (মন্ত্ৰী) ঃ— উপাধ্যক্ষ মহোদয়, ১৯৭৫ চনত যেতিয়া তেওঁলোকৰ চাকৰি চৰকাৰী কৰণ কৰা হৈছিল সেই সময়ত চাকৰী ৫৫ বছৰৰ কৰা হৈছিল, তেওঁলোক ৰিটায়াৰ কৰাৰ পিচত চৰকাৰৰ লগত আলোচনা কৰি ৬০ বছৰ বয়সলৈকে মাহে ৭৫ টকাকৈ দি থকা হৈছে।

শ্ৰীদানেশ আলী ঃ— উপাধ্যক্ষ মহোদয়, এই বিষয়টো তদন্ত কৰি চাবনে ?

শ্ৰীমুকুট শৰ্মা (মন্ত্ৰী) ঃ— সেই সকলো শিক্ষকক পুনৰ বিবেচনা নকৰিব।

## Re : G. S. Quarter

Shri SIRAJUDDIN asked :

*93. Will the Minister, Agriculture be pleased to state—

(a) Whether it is a fact that there is a Gram Sevak Quarter at Bhalukmari under Raniganj G. P. Dhubri ?

(b) Whether it is a fact that the Quarter is under the possession of an outsider since long time ?

(c) If so, why ?

Shri GOLOK RAJBONGSHI (Minister, Agriculture) replied :

93. (a)—No.

(b)—Does not arise.

(c)—Does not arise.

শ্ৰীচিবাজুদ্দিন ঃ— উপাধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে ৯৩(ক) উত্তৰত কৈছে যে, নহয়। মই জনাত এই কোৱাটাৰ বিলাক বাহিৰৰ মানুহে অধিকাৰ কৰি আছে। তাত বিভাগীয় মানুহ নাই। গতিকে এইটো তদন্ত কৰিবনে ?

শ্ৰীগোলোক ৰাজবংশী ঃ— (মন্ত্ৰী) ঃ— আমাৰ বিভাগৰ বাবে বিভাগীয় কোৱাটাৰ নাই। বিভিন্ন বিভাগৰ পৰাহে আমাৰ বিভাগীয় মানুহ থাকিবৰ কাৰণে কোৱাটাৰ লোৱা হৈছে।

শ্ৰীচিবাজুদ্দিন ঃ— মন্ত্ৰী মহোদয়ে এই বিষয়টো তদন্ত কৰি চাবনে ?
শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) ঃ— এইটো চোৱা হব।

বিঃ স্কুল ঘৰ নিৰ্ম্মাণ।

শ্ৰীপূৰ্ণ বড়োৱে সুধিছেঃ

*৯৪। মাননীয় গ্ৰাম্য উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) এন, আৰ, ই, পি আৰু আৰ, এল, ই, জি,পি, আচঁনিৰ যোগেদি বঁওৱা ব্লকৰ অন্তৰ্গত অঞ্চলত ১৯৮৩-৮৪ আৰু ১৯৮৪-৮৫ চনত স্কুল ঘৰ নিৰ্ম্মাণ কৰা হৈছে নেকি?

(খ) যদি হৈছে, নিৰ্ম্মাণৰ কাম কিমান দূৰ আগবাঢ়িছে?

(গ) যদি হোৱা নাই, কিয়?

শ্ৰীৰঘুনাথ পামেগাম (গ্ৰাম্য উন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

৯৪। (ক) এন, আৰ, ই, পি আচঁনিৰ যোগেদি ১৯৮৩-৮৪ চনত ৬ টা আৰু ১৯৮৪-৮৫ চনত ৫ টা স্কুল ঘৰ নিৰ্ম্মাণৰ কাম লোৱা হৈছে।

আৰ, এল, ই, জি, পি, আচঁনিৰ যোগে ১৯৮৩-৮৪ চনত স্কুল ঘৰ নিৰ্ম্মাণৰ কাম হাতত লোৱা হোৱা নাছিল; ১৯৮৪-৮৫ চনত এই আচঁনিৰ যোগে ৬ টা স্কুল ঘৰ নিৰ্ম্মাণৰ কাম লোৱা হৈছে।

(খ) বিভিন্ন পৰ্য্যায়ত কাম আগবাঢ়িছে।

(গ) প্ৰশ্ন নউঠে।

শ্ৰীপূৰ্ণ বড়োঃ— উপাধ্যক্ষ মহোদয়, আমাক মন্ত্ৰী মহোদয়ে সচাঁ কথা জনোৱা নাই। ১৯৮৩-৮৪ চনত এন, আৰ, ই, পিৰ আচঁনিৰ যোগেদি যিবিলাক আচঁনিৰ যোগেদি স্কুল ঘৰ নিৰ্ম্মাণৰ কাম হাতত লোৱা হৈছিল সেই বিলাকৰ এটাও আমাৰ অঞ্চলত হোৱা নাই। মোৰ নিজৰ ঠাইত দেখা নাই। মন্ত্ৰী মহোদয়ে কৈছে যে, বিভিন্ন পৰ্য্যায়ত কাম হাতত লোৱা হৈছে। আমি দি, আৰ, দি, এ অফিচত খবৰ লৈছো তেওঁলোকে কয় যে, চিমেন্ট নাই। আমাক মন্ত্ৰী মহোদয়ে জনাব নেকি যে, কি অৱস্থাত আছে? তাৰোপৰি ১৯৮৩-৮৪ চনত গড়কাপ্তানী বিভাগক ঘৰ বন্ধাৰ কাৰণে দিয়া হৈছিল সেইবিলাকো হৈ উঠা নাই।

শ্ৰীৰঘু নাথ পামেগাম (মন্ত্ৰী)ঃ— উপাধ্যক্ষ মহোদয়, ১৯৮৩-৮৪ চনৰ এক্সিকিউটিভ ইঞ্জিনীয়াৰক পি, ডব্লিউ, ডিৰ গৃহ নিৰ্ম্মাণ বিভাগক ঘৰ নিৰ্ম্মাণ কৰিবলৈ দিয়া কথাটো সচাঁ। মোৰ ইয়াত যিখিনি তথ্য আছে, সেই তথ্যমতে ১৯৮৩-৮৪ চনত এন, আৰ, ই, পিৰ অধীনত যি কেইটা স্কুল লোৱা হৈছিল সেই কেইটা পূৰ-কাম্বৰূপত আছিল। এই এম, ই স্কুলৰ শতকৰা ৪০ ভাগ কাম হৈছে আৰু বৰদণ্ডা এল, পি, স্কুলত কাম শতকৰা ২৫ ভাগ, পশ্চিম আবিমত্ত এল, পি স্কুলত শতকৰা ৩০ ভাগ, পূৰ নোৱাবালা এল, পি স্কুলত শতকৰা ৭৫ ভাগ কাম হৈছে। এই চাৰিখন স্কুলত গৃহ নিৰ্ম্মাণ বিভাগৰ পৰা কাম কৰা হৈছে। বাকী দুখন স্কুলত তেওঁলোকে কাম আৰম্ভ নকৰিলে। এই কাম কৰিবলৈ বঁওৱাৰ বি, ডি, অ'ক দিয়া হৈছে। গতিকে যদিও স্কুল কিলাকৰ কাম সম্পূৰ্ণ হোৱা নাই মোৰ হাতত থকা তথ্যৰ মতেহে কাম চলি আছে।

শ্ৰীপূৰ্ণ বড়োঃ— মন্ত্ৰী মহোদয়ে এইটো তদন্ত কৰিবনে?

শ্ৰীৰঘুনাথ পামেগাম (মন্ত্ৰী)ঃ— এইটো ব্যৱস্থা কৰিব পাৰো।

শ্ৰীহেমেন দাস :— উপাধ্যক্ষ মহোদয়, পি, ডব্লিউ, দি আৰু এন, আৰ, ই, পিৰ যি টকা দিয়া হৈছে, সেই টকাৰে কাম সম্পূৰ্ণ হোৱা নাই আৰু টকাৰ হিচাবো নাই। মন্ত্ৰী মহোদয়ে ইয়াৰ কি ব্যৱস্থা লব ?

শ্ৰীৰঘুনাথ পামেগাম (মন্ত্ৰী) :— হিচাব আনিব লাগিব।

শ্ৰীবৰকটউল্লা :— উপাধ্যক্ষ মহোদয়, আমাৰ কৃষিদফ্তীয়া আৰ্চনিত এইটো এটা দৰকাৰী বিভাগ। মন্ত্ৰী মহোদয়ে কৈছে যে, বৰদঙা স্কুলৰ কাম শতকৰা ৭৫ ভাগ হৈছে। এই স্কুল মোৰ সমষ্টিতে পৰিছে মই জনাত ইয়াত শতকৰা এক ভাগো কাম হোৱা নাই।

শ্ৰীৰঘুনাথ পামেগাম (মন্ত্ৰী) :— উপাধ্যক্ষ মহোদয়, মই প্ৰশ্নৰ উত্তৰ মোক দিয়া তথ্যৰ ওপৰত ভিত্তি কৰিহে দিব পাৰো। মই নিজে সাজি দিব নোৱাৰো। যদি কোনোৱা চৰকাৰী বিষয়াই ভুল তথ্য দিছে তেনেহলে নিশ্চয় ব্যৱস্থা লোৱা হব।

শ্ৰীপূৰ্ণ বড়ো :— উপাধ্যক্ষ মহোদয়, আৰ, এল, ই, জি, পিৰ আচনিৰ যোগেদি ১৯৮৩-৮৪ চনত স্কুল ঘৰ বনাবলৈ লৈ ডি, আৰ, ডি, এক কিমান টকা বিলিজ কৰি দিয়া হৈছে ?

শ্ৰীৰঘুনাথ পামেগাম (মন্ত্ৰী) :— উপাধ্যক্ষ মহোদয়, এই স্কুলৰ সংক্ৰান্তত পি, ডব্লিউ, ডি বিভাগৰ গৃহ নিৰ্মাণ বিভাগক ৬ খন এল, পি স্কুল কৰিবৰ কাৰণে প্ৰথমে শতকৰা ২৫ ভাগ টকা অগ্ৰিম হিচাবে দিয়া হৈছিল। তিনি লাখ টকা দিয়া হল ৬ খন স্কুলৰ বাবে। চাৰি খন স্কুলৰ কাম আৰম্ভ কৰিছে আৰু এই চাৰি খন স্কুলৰ কামৰ বাবে টকা সম্পূৰ্ণকৈ দিয়া হৈছে। তাৰ পিচত বাকীবোৰ বি, ডি, অ'ক প্ৰথমে ১০ হাজাৰ, তাৰ পিচত ১ লাখ ২০ হাজাৰ টকা স্কুল ঘৰ কৰিবলৈ দিয়া হয়। এইবিলাক আৰম্ভ কৰিবৰ কাৰণে ১৯৮৩-৮৪ আৰু ১৯৮৪-৮৫ চনৰ কাৰণে আৰ, এল, ই, জি, পিক ৫০ হাজাৰকৈ দুবাৰ টকা দিয়া হৈছে। মুঠতে ২ লাখ ৩০ হাজাৰ টকা দিয়া হৈছে।

শ্ৰীপূৰ্ণ বড়ো :— উপাধ্যক্ষ মহোদয়, ইমান টকা দিয়াৰ পিচতো কাম আৰম্ভ কৰিব পৰা নাই। ইয়াৰ কিবা বিহিত ব্যৱস্থা গ্ৰহণ মন্ত্ৰী মহোদয়ে কৰিবনে ?

শ্ৰীৰঘুনাথ পামেগাম (মন্ত্ৰী) :— এইটো তদন্ত কৰা হব।

শ্ৰীহেমেন দাস :— এই বি, ডি, অ' জনে ১২ বান্ধ টিংপাতৰ মাত্ৰ ১২ খনহে দিলে, সেইজন বি, ডি, অ'ৰ বিৰোধে কি ব্যৱস্থা লোৱা হৈছে ?

শ্ৰীৰঘুনাথ পামেগাম (মন্ত্ৰী) :— নিশ্চয় তদন্ত কৰি ব্যৱস্থা লোৱা হব, মাটিয়া ব্লকৰ ক্ষেত্ৰত এটা তদন্ত হৈছিল আৰু তাৰ প্ৰতিবেদন ইতিমধ্যে আহিছে আৰু পৰীক্ষা কৰি চাই থকা হৈছে।

শ্ৰীৰজনুল বাচিত :— স্কুল ঘৰ নিৰ্মাণৰ কাম চোৱাৰ কাৰণে কাক দায়িত্ব দিয়া হৈছে ?

শ্ৰীৰঘুনাথ পামেগাম (মন্ত্ৰী) :— নিৰ্মাণৰ কাৰণে স্থানীয় স্কুল কমিটী এখন কৰি দিয়া হয়, তেওঁলোকেই চোৱা-চিতা কাম কৰে।

শ্ৰীপূৰ্ণ বড়ো :— উপাধ্যক্ষ মহোদয়, ১৯৮৩-৮৪ চনত গড়কাপ্তানী বিভাগে ঘৰ বন্ধাৰ বাবে টকা নিলে এই কাম বিলাক কাক কৰিবলৈ দিয়া হৈছে ?

শ্ৰীৰঘুনাথ পামেগাম (মন্ত্ৰী) :— নিয়মমতে ঠিকাদাৰক দিব নালাগে, বাইজৰ শ্ৰমিকৰ হতুৱাই কাম কৰাব লাগে। ইতিমধ্যে ঠিকাদাৰ লগোৱা বুলি যি অভিযোগ উঠিছে তাৰ তথ্য মোৰ হাতত নাই।

শ্ৰীমথুৰা ডেকা :— উপাধ্যক্ষ মহোদয়, নিয়মমতে ঠিকাদাৰক দিব নালাগে, নিয়মমতে কিয় ? নোৱাৰো বুলি নকয় কিয় ?

শ্ৰীৰঘুনাথ পামেগাম (মন্ত্ৰী) :— মাজে মাজে উপাধ্যক্ষ মহোদয়, এনেকুৱা অভিযোগ পাওঁৰেই।

Re : Building of Kayakuchi Medical Sub-Centre.

Shri AMIR HAMCHA TALUKDAR asked :

*95. Will the Minister, Health be pleased to state—

(a) Whether construction of the building of Kayakuchi pather (Naton Bazar) Medical Sub-centre has been started ?

(b) If not, why ?

Dr. BHUMIDHAR BARMAN (Minister, Health) replied :

95. (a)—No.

(b) Plans and estimates called for from the P.W.D have not been received as yet.

শ্ৰীআমিৰ হামচা তালুকদাৰ :— উপাধ্যক্ষ মহোদয়, ইয়াৰ বাবে যি মঞ্জুৰী দিয়া হৈছিল সেয়া কিমান টকাৰ আছিল ?

ড: ভূমিধৰ বৰ্মণ (মন্ত্ৰী) :— চাৰ, এইটো অৰ্থাৎ ১।২।৮৪ লৈ দিয়া হৈছিল আৰু ইয়াৰ কাৰণে ১,২২,৬৭০ টকা দিয়া হৈছিল।

শ্ৰীআমিৰ হামচা তালুকদাৰ :— এই কাম কেতিয়াৰ পৰা আৰম্ভ কৰিব পাৰিব ?

ড: ভূমিধৰ বৰ্মণ (মন্ত্ৰী) :— গড় কাপ্তানী বিভাগৰ পৰা এষ্টিমেট আহিলেই কৰিব পৰা হব।

শ্ৰীচিৰাজুদ্দিন আহমেদ : উপাধ্যক্ষ মহোদয়, ১৯৮৪-৮৫ চনত কিমানখন মেডিকেল চাব চেণ্টাৰ চেংচন হল আৰু তাৰ কাম কোনে কৰিছে আৰু কিমান কৰিছে ?

ড: ভূমিধৰ বৰ্মণ (মন্ত্ৰী) :— চাৰ, চেংচন আছে ঠিকেই, কিন্তু কিমান কৰিছে, কোনে কৰিছে সেই তথ্য এতিয়া মোৰ হাতত নাই। আমি ৩৬০ খনৰ চেংচন দিছো।

শ্ৰীআমিৰ হামচা তালুকদাৰ :— চাৰ, এইটো কয়াকুচি গাঁৱৰ নতুন বজাৰ নহয়, নতুন পথাৰহে।

ড: ভূমিধৰ বৰ্মণ (মন্ত্ৰী) :— কয়াকুচি গাঁৱৰ নতুন পথাৰ।

বি ঃ বিজনী-পানবাৰী পথৰ খৰচ।

শ্ৰীহেমেন দাসে সুধিছে ঃ

*৯৬। মাননীয় গ্ৰাম্য উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কোকৰাঝাৰ জিলাৰ বিজনী-পানবাৰী গড়কাপ্তানী পথৰ পৰা লেচিয়া গাওঁলৈ ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ আচঁনিত নিৰ্ম্মাণ কৰা পথটোত কিমান টকা খৰচ হৈছে ?

(খ) এই কামৰ বাবে কিমানজন মজদুৰ নিয়োগ কৰা হৈছিল ?

(গ) মজদুৰি কেই টকাকৈ দিয়া হৈছিল ?

শ্ৰীৰঘুনাথ পামেগাম (গ্ৰাম্য উন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৯৬। (ক) ১৩।৩।৮৫ তাৰিখ পৰ্য্যন্ত ৩৫,৭৫৫·৫০ টকা খৰচ হৈছে।

(খ) ৯১ জন।
(গ) দৈনিক ১২ টকাকৈ।

শ্ৰীহেমেন দাস ঃ— ইয়াত ৯ ফেব্ৰুৱাৰীলৈ কিমান টকা দিয়া হৈছে ?

শ্ৰীৰঘুনাথ পামেগাম (মন্ত্ৰী) ঃ— উপাধ্যক্ষ মহোদয়, মোৰ হাতত থকা তথ্য মতে এতিয়ালৈকে আমাৰ খৰচ ৩৫,৭৫৫ পঞ্চাচ পইচা। ইয়াৰে মজুৰী হিচাবে ৩২,৫৫৮ টকা দিয়া হৈছে। হিউম পাইপৰ কাৰণে ৩,১৫৫·৩৫ পইচা দিয়া হৈছে।

শ্ৰীহেমেন দাস ঃ— এই ৩২ হেজাৰ টকা কেতিয়া আৰু কাক দিয়া হৈছে ?

শ্ৰীৰঘুনাথ পামেগাম (মন্ত্ৰী) ঃ— তাৰিখটো চাব বৰ্ত্তমান মোৰ হাতত নাই, শ্ৰমিকক মজুৰী দিয়াৰ কাৰণে দিয়া হৈছে।

শ্ৰীহেমেন দাস ঃ— চাৰ, ১২ জন লেবাৰ ৰাখি মাত্ৰ দুহেজাৰ মান টকাৰ কাম এতিয়ালৈ কৰোৱা হৈছে, মই নিজেই গৈ দেখি আহিছো আৰু বিভাগীয় বিষয়াক লিখিত ভাবে তদন্ত কৰিবলৈ দিছো। ইয়াৰ পৰা জইন্ট ডিবেক্টৰ যোৱাৰ পিচতহে কাম কৰিছে। গতিকে এইটো তদন্ত কৰিব নেকি ?

শ্ৰীৰঘুনাথ পামেগাম (মন্ত্ৰী) ঃ— এই বিষয়ে চাব পাৰো চাৰ।

শ্ৰীমথুৰা ডেকা ঃ— উপাধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে লেবাৰ পেমেন্ট কৰাৰ কাৰণে টকাটো দিয়া হৈছে। আমি লেবাৰ সংগ্ৰহ কৰি দিম মন্ত্ৰী মহোদয়ে কোনে কিমান পাইছে তদন্ত কৰিবনে ?

শ্ৰীৰঘুনাথ পামেগাম (মন্ত্ৰী) ঃ— মন্ত্ৰী হিচাবে সকলো বিলাক তদন্ত কৰা সম্ভৱ নহয়।

শ্ৰীমথুৰা ডেকা ঃ— উপাধ্যক্ষ মহোদয়, এই আচঁনি বিষয়া সকলৰ নহয়, আমাৰ প্ৰয়াত গান্ধীৰ ইচ্ছানুসাৰি মুখ্যমন্ত্ৰী মহোদয়ে এই ক্ষেত্ৰত যথেষ্ট উদ্যোগী হৈ কাম চলাইছে। সমান আন্তৰিকতাৰে আমি বিধায়ক সকলেও অংশ গ্ৰহণ কৰিছো। গতিকে, মন্ত্ৰী মহোদয়ে কষ্ট কৰি হলেও তদন্ত কৰিব লাগিব।

শ্ৰীৰঘুনাথ পামেগাম (মন্ত্ৰী) ঃ— মোৰ লগতে বিধায়ক সকলেও সমানে অংশ ললে মই শলাগ লম।

Re : Grant to Goalpara M· P.

Shri MOHAMMAD ALI asked :

*97. Will the Minister, Panchayat be pleased to state—

(a) The amount of the community Development grant received by the Goalpara M. P. for the Financial years 1982-83 and 1983-84 ?

(b) Whether the Goalpara M. P. has submitted utilisation certificate of the C. D. Grant for the year 1982–83 and 1983-84 to the Government ?

(c) If not, what action has been taken by the Government in this regard ?

Shri TILOK GOGOI ( Minister, Panchayat ) replied--

97. (a)—(i) Rs. 2,11,054.00 for 1982-83.

(ii) Rs. 3,06,948.00 for 1983-84.

(b)—For 1982-83, utilisation certificates have been submitted for Rs. 1,94,904. For 1983-84, utilisation certificates have been received so far.

(c)—The Mohkuma Parishad was asked several times to submit pending utilisation certificates. For not submitting such certificates the amount sanctioned for 1984-85 and also a part of the amount sanctioned for 1983-84, have been withheld.

শ্ৰীমহম্মদ আলী :— উপাধ্যক্ষ মহোদয়, অসম পঞ্চায়তীৰাজ আইনত ফাইনেন্সিয়েল ৰুলত এইটো কথা আছে নেকি যে এবছৰীয়া গ্ৰাণ্ট ইউটিলাইজেচন চাৰ্টিফিকেট নাপালে তাৰ পিছৰ বছৰৰ গ্ৰাণ্ট ৰিলিজ কৰা উচিত নহয় ? এইটো কথা মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীতিলক গগৈ (পঞ্চায়ত মন্ত্ৰী) :— উপাধ্যক্ষ মহোদয়, ফাইনেন্সে যি পইচা দিছে সেই খিনি ইউটিলাইজেচন চাৰ্টিফিকেট লৈ দিয়া হয়। গতিকে যিখিনি ১৯৮৩-৮৪ চনত হেল্ড আপ কৰি ৰখা হৈছে সেই খিনিয়ে চাৰ্টিফিকেট দিয়া নাই। সেয়ে আমি পইচা দিব পৰা নাই।

শ্ৰীমহম্মদ আলী :— উপাধ্যক্ষ মহোদয়, ১৯৮২-৮৩ চনত ১ লাখ ৯৪ হাজাৰ নে কিমান টকা চাৰ্টিফিকেট লৈ দিছে। এতিয়া ১৯৮৩-৮৪ চনৰ ইউটিলাইজেচন চাৰ্টিফিকেট দিয়া নাই ১৯৮৪-৮৫ চনত এই চি, ডি গ্ৰাণ্ট গোৱালপাৰা মহকুমাত পৰিষদত দিয়া নাই।

শ্ৰীতিলক গগৈ (মন্ত্ৰী) :— উপাধ্যক্ষ মহোদয়, এইটো হোৱা নাই, আমি তেওঁলোকক ইউটিলাইজেচন চাৰ্টিফিকেট দিবলৈ কৈছো পইচা জমা আছে, চাৰ্টিফিকেট পালেই দিব পাৰিম। এই সম্পৰ্কে গোৱালপাৰা মহকুমা পৰিষদত চাৰ্কোলাৰো দিছো।

শ্ৰীমহম্মদ আলী :— উপাধ্যক্ষ মহোদয়, ইউটিলাইজেচন চাৰ্টিফিকেট নিদিয়াতো টকাৰ প্ৰপাৰ ইউটিলাইজেচন হোৱা নাই বুলি ধৰি লব লাগে আৰু এই বিষয়ত মহকুমাপৰিষদ বিলাকক ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

শ্ৰীতিলক গগৈ (মন্ত্ৰী) :— উপাধ্যক্ষ মহোদয়, আমি চ' কজ নটিচ দিছোঁৱেই আৰু ইয়াক কি কাৰণ দেখুৱাই সেইটো চাই আমি ব্যৱস্থা লব পাৰিম।

শ্ৰীচিবাজৰ্দ্দিন :— উপাধ্যক্ষ মহোদয়, এই ইউটিলাইজেচন চাৰ্টিফিকেট নিদিয়াৰ কাৰণে কোন জগৰীয়া সেইটো মন্ত্ৰী মহোদয়ে জনাবনে?

শ্ৰীতিলক গগৈ (মন্ত্ৰী) :— উপাধ্যক্ষ মহোদয়, মহকুমা পৰিষদ জগৰীয়া। উপাধ্যক্ষ মহোদয়, মহকুমা পৰিষদৰ চেক্ৰেটাৰী আৰু চীফ এডমিনিষ্ট্ৰেটৰ এই বিলাকৰ দায়িত্বত আছে।

শ্ৰীমহম্মদ আলী :— অসম পঞ্চায়তী ৰাজ আইনৰ ফাইনেন্সচিয়েল ৰুলত এই কথা আছে যে মহকুমা পৰিষদৰ ফান্ড সচিব আৰু চীফ এডমিনিষ্ট্ৰেটৰ এই দুজনে অপাৰেট কৰে। তেন্তে এই ইউটিলাইজেচন চাৰ্টিফিকেটৰ সম্পৰ্কত এই দুজন বিষয়াৰ বিৰুদ্ধে ব্যৱস্থা লব নেকি মন্ত্ৰী মহোদয়ে জনাবনে?

শ্ৰীতিলক গগৈ (মন্ত্ৰী) :— মই কৈছোঁৱেই যে 'চ' কজ নটিচ দিছোঁৱেই আৰু তাৰ উত্তৰ পালেই আমি ব্যৱস্থা গ্ৰহণ কৰিম। ১৯৮৩-৮৪ চনৰ পইচা আমাৰ হাতত জমা আছে।

**বি : ধুবুৰীৰ ই, এচ, আই ডিচপেনচেৰী।**

শ্ৰীমথুৰা ডেকাই সুধিছে :

*৯৮। মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ধুবুৰী ই, এচ, আই ডিচপেনচেৰীৰ স্থায়ী ভাবে কলেজ ৰোডত যি মাটি ৰখা হৈছে তাত মাছ থকা বিষয়ে চৰকাৰে জানেনে?

(খ) উক্ত মাটিৰ পানীত থকা মাছ বছৰি বিক্ৰী কৰা কথা জানেনে?

(গ) মাছ বিক্ৰীৰ টকা চৰকাৰী ভড়ালত জমা হোৱা বিষয়ে জানেনে?

শ্ৰীৰামেশ্বৰ ধানোৱাৰ (শ্ৰম বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

শ্ৰীৰামেশ্বৰ ধানোৱাৰ (শ্ৰম বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :
মাছ থকা নথকাৰ বিষয়ে চৰকাৰে নেজানে।

(খ) প্ৰশ্ন নুঠে।
(গ) প্ৰশ্ন নুঠে।

বিষয়ঃ পাৰ্কিং মাচুল।

শ্ৰীপূৰ্ণ বড়োৱে সুধিছেঃ

*৯১। মাননীয় পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) চৰকাৰে এই বিষয়ে জানেনে যে গুৱাহাটী পৌৰ নিগমে পল্টন বজাৰ, ফাঁচী বজাৰ, গনেশ-গুৰিৰ আদিৰ পাৰ্কিং কৰা, গাড়ী স্কুটাৰ আদিৰ পাৰ্কিং মাচুল সংগ্ৰহ কৰিছে?

(খ) যদি সেয়ে হয় পাৰ্কিং মাচুল লোৱাৰ সিদ্ধান্ত কেতিয়া আৰু কিয় গ্ৰহণ কৰা হৈছে?

শ্ৰীজোহিৰুল ইছলাম(মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

৯১। (ক) হয়, জানে।

(খ) পৌৰ নিগমে গুৱাহাটীৰ মুঠ ৩৩ খন ঠাইত পাৰ্কিং ফিজ লগোৱাৰ সিদ্ধান্ত লয় আৰু সেই সিদ্ধান্ত অনুসৰি কমপেৰেটিভ ষ্টেটমেন্ট লৈ পৌৰ প্ৰশাসন বিভাগৰ অনুমতি বিচাৰে আৰু চৰকাৰে এই কমপেৰেটিভ ষ্টেটমেন্টৰ প্ৰতি ইং ২৪।৫।৮৪ তাৰিখে অনুমোদন জনায়। আন আন নগৰৰ দৰে গুৱাহাটী নগৰতো পাৰ্কিং ফিজ লগাই এটা আয়ৰ পথ মুকলি কৰে। দ্বিতীয়তে, পাৰ্কিং ফিজ নহলে গাড়ী চালকে ঘণ্টাৰ পিচত ঘণ্টা যতে ততে গাড়ী ৰাখি ঠেক আৰু ব্যস্ত ৰাষ্টাত সমস্যাৰ সৃষ্টি কৰে। পৌৰ নিগমৰ চাফাই কামো কেতিয়াবা বন্ধ কৰিব লগা হয়। উক্ত দুটা কাৰণত পাৰ্কিং ফিজৰ সিদ্ধান্ত পৌৰ নিগমে কৰে।

শ্ৰীপূৰ্ণ বড়োঃ— উপাধ্যক্ষ মহোদয়, গুৱাহাটী পৌৰনিগমে স্কুটাৰ, গাড়ী আদিত পাৰ্কিং ফিজ লোৱাৰ ব্যৱস্থা কৰিছে। গুৱাহাটীত পাৰ্কিং কৰা ঠাই আছে জানো?

শ্ৰীজোহিৰুল ইছলাম (মন্ত্ৰী)ঃ— উপাধ্যক্ষ মহোদয়, ঠাই আছে কাৰণেই কৰা হৈছে।

শ্ৰীপূৰ্ণ বড়োঃ— এই পৌৰ নিগমৰ যিখন আইন আছে নেকি যে গাড়ী আৰু স্কুটাৰৰ পাৰ্কিং ফিজ লব লাগে?

শ্ৰীজোহিৰুল ইছলাম (মন্ত্ৰী)ঃ— উপাধ্যক্ষ মহোদয়, চৰকাৰৰ অনুমতি লয়ে এই ব্যৱস্থা কৰা হৈছে।

শ্ৰীপূৰ্ণ বড়োঃ— উপাধ্যক্ষ মহোদয়, এই ৩৩ খন ঠাইত ফিজ লোৱাৰ কাৰণে কিমান টকাত নিবিদা দিয়া হৈছে?

শ্ৰীজোহিৰুল ইছলাম (মন্ত্ৰী)ঃ— খবৰটো এতিয়া মোৰ হাতত নাই।

শ্ৰীহেমেন দাসঃ— উপাধ্যক্ষ মহোদয়, এই পইচা কোনে তোলে? পইচাতোলাৰ দায়িত্ব কাক দিয়া হৈছে এইবোৰ খবৰ যদি নাই তেতিয়া হলে প্ৰশ্নটো পেণ্ডিং কৰক।

মাননীয় উপাধ্যক্ষঃ— প্ৰশ্নটো পেণ্ডিং থাকক।

বিঃ কেডাৰ মেনেজমেন্ট চেক্রেটাৰী।

শ্রীমথুৰা ডেকাই সুধিছে ঃ

*১০০। মাননীয় সমবায় বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ৰাজ্যৰ গাওঁ পঞ্চায়ত সমবায় সমিতি সমূহত কেডাৰ মেনেজমেণ্টে নিয়োগ কৰা চেক্রেটাৰী মুঠ কিমান জন আছে?

(খ) উক্ত চেক্রেটাৰী সকলৰ দৰমহাৰ হাৰ কেনে ধৰণৰ জনাবনে?

(গ) চেক্রেটৰী সকলৰ চাকৰি সমূহ চৰকাৰী হয়নে?

(ঘ) যদি নহয়, তেওঁলোকৰ চাকৰিৰ নিৰাপত্তা কি জনাবনে?

শ্রীউপেন্দ্র দাস (সমবায় বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

১০০। (ক) ৫১৪ জন।

(খ) স্নাতক প্রশিক্ষণপ্রাপ্ত চেক্রেটৰী সকলৰ দৰমহাৰ হাৰ মাহিলি ৩০০-৫৭৫ টকা আৰু নিম্ন স্নাতক চেক্রেটৰী সকলৰ দৰমহাৰ হাৰ মাহিলি ২৫০-৫০০ টকা।

(গ) নহয়।

(ঘ) গাওঁ পঞ্চায়ত সমবায় সমিতিৰ চেক্রেটৰী সকলৰ চাকৰি জীৱনৰ ভৱিষ্যত নিৰাপত্তা আৰু প্রমোচন আদিৰ বিষয়ে এটি প্রস্তাৱ বৰ্ত্তমান চৰকাৰৰ বিবেচনাধীন হৈ আছে।

শ্রীৰবকট উল্লা ঃ— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ে জনাবনেকি এই কেডাৰ মেনেজমেণ্টৰ সচিব সকলক কোনে নিযুক্তি দিছে?

শ্রীউপেন্দ্র দাস (মন্ত্রী) ঃ— কেডাৰ মেনেজমেণ্টৰ চচাইটি এখন আছে তেওঁলোকেই এই সকলৰ নিযুক্তি দিয়ে।

শ্রীহাচানুদ্দিন আহমেদ ঃ— উপাধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে এইটো কথা জনাব নেকি যে এই কেডাৰ মেনেজমেণ্টৰ সচিব বিলাক চৰকাৰী নহয় আৰু তেওঁলোকে চেনি উঠাই বিক্রী কৰি দিলেও কোনো ব্যৱস্থা লব পৰা নাযায়?

শ্রীউপেন্দ্র দাস (মন্ত্রী) ঃ— কেডাৰ মেনেজমেণ্টৰ সচিব বিলাকক ১৯৭৫ চনতে কেডাৰ মেনেজমেণ্টৰ চচাইটীয়ে নিযুক্তি দিছিল আৰু কিবা ব্যৱস্থা আদি লব লাগিলেও তেওঁলোকেহে লব।

শ্রীহেমেন দাস ঃ— উপাধ্যক্ষ মহোদয়, এওঁবিলাকক দৰমহা কোনে দিয়ে আৰু কিমান দিয়া হৈছে?

শ্রীউপেন্দ্র দাস (মন্ত্রী) ঃ— দৰমহাৰ বিষয়ে আগতেই কোৱা হৈছে, স্নাতক সকলক প্রশিক্ষণ প্রাপ্ত সকল, ৩০০-৫৭৫ টকা মাহিলী আৰু তাৰ তলৰ খাপৰ সকলক ২৫০-৫০০ টকা দিয়া হৈছে।

শ্রীহেমেন দাস ঃ— উপাধ্যক্ষ মহোদয়, এইটো সম্পূৰ্ণ চৰকাৰৰ নীতি বিৰুদ্ধ কাম হৈছে। এজন স্নাতকক ইমান কম দৰমহা দিয়াটো উচিতনে?

শ্ৰীউপেন্দ্ৰ দাস (মন্ত্ৰী) :— কেডাৰ মেনেজমেন্ট চচাইটীয়ে যেতিয়া পৰিচালনা কৰে তেতিয়া তেওঁলোকেই দৰমহাৰ নিৰিখ বান্ধি দিছে। অৱশ্যে চৰকাৰী মতে নহয়। তাৰ কাৰণেই চৰকাৰে গোটেই-খিনি কথা চাই এটা সিদ্ধান্ত কৰিছে যাতে চৰকাৰীকৰণ কৰিব পৰা যায়।

শ্ৰীহেমেন দাস :— চৰকাৰে পাতি দিয়া এখন সমবায় সমিতিয়ে চৰকাৰৰ নীতি বিৰুদ্ধ কাম কৰিব নোৱাৰে চৰকাৰী দৰমহা নীতি তেওঁলোক মানিবলৈ বাধ্য। এই সম্পৰ্কে চৰকাৰে কি কয়?

শ্ৰীউপেন্দ্ৰ দাস (মন্ত্ৰী) :— প্ৰথমতে যেতিয়া চচাইটি বিলাক গঠন কৰি দিয়া হৈছিল তেওঁলোকৰ আয়ৰ পৰা দৰ্মহা দিয়া ব্যৱস্থা কৰা হৈছিল। সেই দৰেই কেডাৰমেনেজমেণ্ট চচাইটি গঠন কৰা হৈছিল আৰু তেওঁলোকে নিযুক্তি দি দৰ্মহা দি আছিল। এতিয়া দেখা গৈছে যে এই চচাইটি বিলাকৰ আয় বৰ ভাল নহয়। তথাপিও তেওঁলোকক ৰাখিব লগীয়া হৈছে। চৰকাৰে তেওঁলোকক কেডাৰমেনেজমেণ্ট ৰেইনিং দিয়াৰ ব্যৱস্হা কৰিছে।

শ্ৰীহেমেন দাস :— নিয়োগৰ দায়িত্ব দিব লাগে চচাইটি বিলাকক। কিন্তু তাকে নকৰি কেদাৰ মেনেজমেণ্টক কিয় দিবলৈ দি থকা হৈছে?

শ্ৰীউপেন্দ্ৰ দাস (মন্ত্ৰী) :— মই আগতেই কৈছো যে এই সম্পৰ্কত এটা অশান্তিৰ সৃষ্টি হৈছে। কেডাৰ মেনেজমেণ্ট চেক্ৰেটাৰী সকলে দৰ্মহা নোপোৱাৰ কাৰণে আপত্তি কৰিছে। গতিকে চৰকাৰে আটাই বিলাক তথ্য সংগ্ৰহ কৰি বিবেচনা কৰি আছে। কেডাৰ মেনেজমেণ্ট চেক্ৰেটাৰী সকলৰ চাকৰিৰ নিৰাপত্তাৰ ব্যৱস্হা কৰিব লাগিব। তেওঁলোকক চৰকাৰৰ লগত সোমোৱাই লব পাৰেনে নোৱাৰে সেইটো চাই আছে।

শ্ৰীমথুৰা ডেকা :— তেখেতে কেডাৰ মেনেজমেণ্ট ভংগ কৰি দিয়া হব বুলি অলপতে কৈছিল। আৰু এইটো কেতিয়া কাৰ্য্যকৰী কৰা হব সেইটো জনাবনে?

শ্ৰীউপেন দাস (মন্ত্ৰী) :— এই সম্পৰ্কত সোনকালেই সিদ্ধান্ত গ্ৰহণ কৰা হব।

Shri BINOY KUMAR BASUMATARI.—Sir is it a fact that most of the Cadre Management Secretaries have been promoted to Junior Inspectors in the Co-operative Societies?

Shri UPENDRA DAS (Minister) : Sir, it is not a fact.

Shri BINOY KUMAR BASUMATARI.—Sir, if I produce the list will the Hon'ble Minister look into it?

Shri UPENDRA DAS (Minister).—The Cadre Management Secretaries are promoted as Junior Inspector according to the eligibility. At present I do not have with me any record. In any case, I will look into it.

শ্ৰীবৰকটল্লা :— মন্ত্ৰী মহোদয়ে এইটো কথা জনাবনে যে কেডাৰ মেনেজমেণ্টৰ সচিব সকলক সমবায়ে নিযুক্তি দিয়াৰ ক্ষেত্ৰত বিজুটি ঘটাৰ কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

শ্ৰীউপেন্দ্ৰ দাস (মন্ত্ৰী) :— এইটো প্ৰশ্ন বেলেগে আহিব লাগে।

Mr. DEPUTY SPEAKER.—Now, item No. 2-Voting on Demands for Grants. Grant No. 62 to be moved by Shri Tilok Chandra Gogoi.

Shri TILOK CHANDRA GOGOI (Minister) .— On the recommendation of the Governor of Assam, I beg, Sir, to move that a sum of Rs. 12, 34 93, 000, be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1986 for the administration of "Community Development."

Mr. DEPUTY SPEAKER.—There are three Cut Motions first to be moved by Shri Binoy Kumar Basumatari Shri Alit Chandra Boro, Shri Md. Hussain and Shri Tajamul Ali Laskar, the second by Shri Mathura Deka and the third by Shri Hemen Das and Shri Purno Boro.

Shri BINOY KUMAR BASUMATARI.—Sir, I beg to move that the total provision of Rs. 12,34,93,000 under Grant No. 62 in respect of "Community Development", at pages 1-35 of Volume II Part XX of the Budget, be reduced to Re. 1, i. e. the amount of the whole grant of Rs. 12,34,93,000, do stand reduced to Re. 1.

Mr. DEPUTY SPEAKER.—Now, Shri Mathur Deka.

শ্ৰীমথুৰা ডেকা :— মাননীয় উপাধ্যক্ষ মহোদয়, ৬২ নং গ্ৰাণ্টৰ শিতানত কমিউনিটি ডেভেলাপ-মেণ্টৰ কাৰণে যি ১২ কোটি ৩৪ লাখ ৯৩ হাজাৰ টকাৰ মঞ্জুৰী দাবী উত্থাপন কৰিছে সেইটো মই এক টকালৈ হ্ৰাস কৰিবৰ কাৰণে প্ৰস্তাৱ ডাঙি ধৰিছো।

Mr. DEPUTY SPEAKER.—Now Shri Hemen Das.

Mr. HEMEN DAS.—Sir, I beg to move that the total provision of Rs. 12,34,93,000, under Grant No. 62 in respect of "Community Development", at pages 1—35 of Volume II, Part XX of the Budget, be reduced o Re. 1, i. e., the amunt of the whole grant of Rs.12,24,93,000 do stand reduced to Re. 1.

Shri BINOY KUMAR BASUMATARI .—Sir, in support of my Cut motion, I want to say briefly that this

Community Development Department was started as per provisions of the Constitutions of India because the Father of the Nation Mahatma Gandhi had desired that if we want to have full Swaraj, i. e., complete independence, then the rural masses should be lifted out of the life that they were living at the time of independence. Therefore, Sir, with a lot of hope this department was started. But today, Sir, this department in Assam is almost dead and unless the funds from the Rural Development Agency were not routed through to this department then this department would have languished without any activity. Sir, we are all coming from the rural areas and we can provide ample evidences as to how this department is dying. Sir, in every constituency in the State you will find some old dilapidated houses which were being used as Panchayat Office and nobody could locate it. Sir, initially the Community Development Department started these offices when the gaon panchayats were established at a smaller level, i. e., at gaon panchyats level with a huge amount of money from the public Sir, today these houses either do not have doors or windo ws. In some cases, even the roof has been taken away and represents a picture as if these houses have undergone a tornado or severe storm. Therefore, Sir, this is definetely a wastage. Sir, I will again place it before the Government that this Community Development Department should be rejvenated. The other day I have pointed out that Rs. 87 lakhs were being wasted for establishment of a new organisation of DRDA. If this Rs. 87 lakhs were infused into the Community Development Department, the people of the State would have got a lot of benefit. Sir, if you look at page 3 of the Budget, you will see, Sir, that nearly Rs. 4,42,00,000 has been provided for 'administration and direction' whereas the total budget provision for community development is Rs. 12,34,93,000. Out of this 12 crores and odd, 4,42 lakhs approximately is to be spent for 'direction and administration', that is more than 35 per cent of the total budget provision. Sir I have a feeling that in this State there is no community development administration, and yet so much money is going to be spent for 'administration and direction' alone. Now, Sir, there are other things the Community Development Department acquired, at least in my Constituency—Udalguri Constituency,—at a very early date, I remember, Late Bishnuram Medhi's time, an area was acquired for establishing which was known as Amjuli colony. The purpose of setting up such

a colony was to rehabilitate landless tribal people and more than 5000 bighas of land was acquired from the forest areas during the period of 1952-55, and during that period, Sir, Assam perhaps did not imagine, the whole area was fenced, and there were provided deep tubewells with the sole purpose of making it an agricultural farm. But today nothing is there in this colony. Tubewells are there but the pipe got punctured and taken out. Fencing was removed and innumerable ineligible people have occupied the land. So, Sir, I say this Department has ample scope for doing very good things for the welfare of the community, for restoring what was there in that colony which are facing absolute neglect.

Now I wish to turn to page ·5 of this budget. If you look therein at the coloum of "Water supply and sanitation" there is a provision for Rs. 5 lakhs under this head. Do you know, how this amount is spent? This five lakh of rupees is to be spent for sanitation and water supply in community projects. Perhaps when the community projects were started in the year 1952-55, that was a model project because that was a time when the new Government tried to teach sanitation to the people. What did they do?

They collected some bemboo reeds, fastended them together and laid over the bored holes and squatting places were provided on bone-holes. Today in this year of grace, 1985-86 this department is to spend Rs. 5 lakhs for squatting plates, whereas they should have gone for septic tanks and other advanced senitation arrangements. Sir, this Government has made me the chairman of B. L. C. C. Udalguri and recently I have had occasion to see something of sanitation work as I have stated earlier. I feel to-day this Department should have gone in for some innovation in teaching sanitation to the people. Otherewise there is no reason of allocating money like that. What is the basis of the C. D. department, the basis of developing the communities of the State? The basis is the gram panchayat. To-day sir, we do not see the gram panchayats in the real seanse. What ts there are constituted with people selected and appointed by this government. Therefore sir, it is time to take the people into confidence and take them along with the government we should see as to what are the people's need, and what they say for their welfare. When they

make any complaint, it should be enquired and steps taken to redress their grievances. Sir, there was an allegation made at the G. P. level and I have with me a latter about which I have spoken earlier. To-day I wish to submit that letter to you sir with the hope that this government will look into it and take immediate steps to remove the councillor against whom the complaint is made. Here is a written complaint and I demand that this councillor is removed. He is very famous in the rural area and I do not want to say how he behaves and acts. The girls are not safe. Another thing. This G. P. councellor also had tried to kidnap the B. D. O. In my area there is a lady B. D. O. We were engrossed in doing N. R. E. G. P. works in our area, and this B. D. O. is very active and takes interest in her duties, working late hours. She used to carry even at nights lots of money more than 10,C00 rupees in her bag. And this councillor one day stopped her on the road and tride to snatch the money. We made a complaint for removing this councillor, but no action has been taken against him. Therefore I am going to place this complaint before you sir so that it is on record and also demand that election at the gaon panchayat levels should be started immediately.

Then sir, when we deal with the development works for the rural community, we have to see that Block Level Officers are not corrupt and they are men of integrity. Otherwise there cannot be any proper development works in rural areas. An instance was given on the floor of the House by me earlier. We received a complaint about corruption and defalcation of fund by certain Block Level Officers at Udalguri Block, and another member of the B. L. C. C. and Member of this House, Shri Condpan, made au enquiry with reference to the allegation. The allegation was that there was defalcation of C. D. funds and the junior engineer paid money although no work was done earlier. When I took over as Chairman of the B. L. C. C. Udalguri; the enquiry was undertaken by the Hon'ble Member Shri Condpan, as a member of the B. L. C. C., and we found that money was released without having the work completed. In this matter, certain people were also involved, and we asked the Administration to find out who were involved in this payment and to get them arrested. We in the

enquiry committee constituted by the three M. L. As. recommended some punishment to the Junior Engineer at the Udalguri Block but no action has been taken. Sir, if no advice of the B, L. C. C. is acted upon by the administration, what is the purpose of providing such a B. L. C. C. at every Block? The very purpose of the B. L. C. C. has been frustrated by the indifferent attitude of the authorities by not acting upon the recommendations made, on enquiries over complaints and such other recommendations. Therefore, I submit sir, that to conduct development work properly for rural communities at block level, the B. L. C. Cs. should be taken into confidence and whatever they say, should be acted upon by the Government.

With these words, Sir, I oppose the allocation and support the cut motion. Thank you.

শ্ৰীমথুৰা ডেকা :— মাননীয় উপাধ্যক্ষ মহোদয়, পঞ্চায়ত আৰু সমূহীয়া উন্নয়ন বিভাগৰ দাবী মঞ্জুৰী শিতানত মই যিটো কৰ্ত্তণ প্ৰস্তাৱ আনিছো সেই বিষয়টো লৈ আমি যথেষ্ট আলোচনা কৰিব লাগিয়া আছে আৰু এই ক্ষেত্ৰত যদি মন্ত্ৰী মহোদয়ে উত্তৰ দিওঁতেই এই ডেৰ ঘণ্টা সময়ৰ অধিক খিনি সময়ৰ প্ৰয়োজন হয়, তেনেহলে আমি বিষয়টোৰ ওপৰত বহল ভাবে আলোচনা কৰিব নোৱাৰিম। উপাধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যত ১৯৫২ চনৰ পৰাই গাওঁ পঞ্চায়ত সমূহ গঠন কৰা হব আৰু এই গাওঁ পঞ্চায়তৰ যোগেদি গাওঁৰ ৰাইজক সহায় কৰিবলৈ লোৱা চৰকাৰৰ আচঁনিবোৰ কাৰ্য্যকৰী কৰা হয়। ইয়াৰ পিছত আকৌ ১৯৬০ চনত এই বিভাগেই কমিউনিটি ডেভেলপমেণ্ট প্ৰজেক্ট হাতত লৈ ৰাইজক সহায় কৰিবলৈ আগবাঢ়ি আহিল, কিন্তু উপাধ্যক্ষ মহোদয়, এই প্ৰজেক্টৰ দ্বাৰা চৰকাৰে যি ঢাক-ঢোল বজালে তাৰ দ্বাৰা ৰাইজ উপকৃত নহল। এইদৰে চাওতে চাওতে আমাৰ প্ৰায় ২৫ বছৰ পাৰ হৈ গল। এতিয়া চৰকাৰে ২০ দফীয়া আচঁনিৰ অধীনত যিবোৰ উন্নয়ন মূলক কাম হাতত লৈছে, সেইবোৰ কাৰ্য্যত ৰূপায়িত কৰিবলৈ যাওতে আমাৰ ৰাইজে আমাক বিশ্বাস নকৰা হল। কিয়নো ৰাইজৰ মনত এটা ধাৰণা হৈছে যে চৰকাৰৰ এইবোৰ ভুৱা আচঁনি - এইবোৰত গুৰুত্ব দি একো লাভ নাই। সেইকাৰণে আজি আমি এইবোৰ আচঁনিৰ কাৰণে ৰাইজৰ ওচৰ চাপিব নোৱাৰা হৈছে।

উপাধ্যক্ষ মহোদয়, সমূহীয়া উন্নয়ন বিভাগত যিবিলাক বি, ডি, অ আছে তেওঁলোকৰ কাৰ্য্য-কলাপ যদি লক্ষ্য কৰে তেনেহলে আচৰিত হব লাগিব। চৰকাৰৰ প্ৰগতিমূলক আচঁনিবোৰ কাৰ্য্যকৰী কৰোতে এই সকল বি, ডি, অৰ প্ৰায়ভাগেই দুৰ্নীতি লিপ্ত হোৱা দেখা যায়। এইবোৰ কথা যদি আমি বিভাগীয় মন্ত্ৰী বা সদনত উত্থাপন কৰো তেন্তো তেওঁলোকে আমাক কয় যে এই বিষয়ে তদন্ত কৰা হব। কিন্তু এই ক্ষেত্ৰত মই এটা কথা কব খোজো যে যিবিলাক বি, ডি, অৰ ওপৰত এনে ধৰণৰ অভিযোগ পোৱা যায় সেই সকলক ততকালেই সেই ঠাইৰ পৰা বদলি কৰাৰ ব্যৱস্থা কৰিব লাগে আৰু তেওঁক যদি অন্য ঠাইত কামত লগাব নোৱাৰে তেনেহলে আমাৰ মন্ত্ৰী মহোদয়ৰ কোঠাত সহায়কাৰী হিচাবে আবদ্ধ কৰি ৰাখিব লাগে। তেতিয়াহলে এনে ধৰণৰ লোকসকলে গাওঁৰ দুখীয়া ৰাইজক ছলা-কলা কৰিব নোৱাৰিব আৰু ৰাজহুৱা ধনৰো অপচয় নহব। উপাধ্যক্ষ মহোদয়, আজি চৰকাৰে ২০ দফীয়া আচঁনিৰ অধীনত ৰাইজৰ উন্নতিৰ কাৰণে এন, আৰ, ই, পি-আই, আৰ, দি, পি, আদি আচঁনি হাতত লৈছে। এই আচঁনিবোৰ কাৰ্য্যকৰী কৰোতে এই বিভাগৰ বি, ডি, অ সকলৰ ওপৰত সমূৰ্ণকৈ নিৰ্ভৰ কৰিব লগা হয়। কিন্তু চৰকাৰৰ এই বি, ডি, অ সকলৰ ওপৰতে নিয়ন্ত্ৰণ নাই। এই বিষয়ে আজি ৰঙিয়া, তামোলপুৰ ওদালগুৰি আদিৰ পৰা অভিযোগ আহিছে। অলপতে ৰঙিয়াত যি জন বি, ডি, অ আছিল তেখেত শদিয়া খণ্ডৰ পৰা নিজৰ কানি-কাপোৰ এৰি ৰাতা-ৰাতি পলাল। এই

বিষয়াজনৰ ওপৰত চৰকাৰে কোনো ব্যৱস্থা হাতত লব পৰা নাই। যদি এনেকৈয়ে বিভাগটো চলিব লগা হয় তেনেহলে চৰকাৰৰ এই আচঁনিবোৰ কাৰ্য্যকৰী কৰিব কেনেকৈ? সেই কাৰণেই আমাৰ ৰাইজৰ চৰকাৰৰ এই আচঁনিবোৰৰ ওপৰত বিশ্বাস নোহোৱা হৈছে।

উপাধ্যক্ষ মহোদয়, এই বিভাগে গ্ৰাম সেৱক থকা আৰু সাৰ আদি ৰাখিবলৈ কিছুমান ঘৰ সাজিছিল। এই ঘৰবোৰ সাধাৰণতে পথাৰৰ মাজত বা মৰিশালীত সজোৱা হৈছিল। প্ৰথমতে এই ঘৰবোৰত দুই এজন গ্ৰামসেৱক আছিল আৰু বহুদিন আগেয়ে ইয়াৰ কিছুমানত সাৰ আদিও ৰখা হৈছিল। কিন্তু এই ঘৰবোৰৰ মেৰামতিৰ অভাৱ হোৱাৰ কাৰণে সেইবোৰ ক্ৰমান্বয়ে ভাঙি-চিঙি যাব ধৰিছে আৰু তাৰ ফলত এই ঘৰবোৰত আজি গ্ৰামসেৱক বা অন্য কোনো মানুহ এই ঘৰবোৰত নাথাকে। তেওঁলোকে আজি নিজে সুবিধা কৰি লৈ বেলেগে থকাৰ দিহা কৰিছে। ইয়াৰে কিছুমান ঘৰলৈ যদি এতিয়াও গৈ চোৱা হয় তেনেহলে দেখিব তাত থকা সাৰৰ বস্তুবোৰ পচি সৰি আৰু সেইবোৰ এতিয়া ব্যৱহাৰৰ অনুপযুক্ত হৈ পৰিছে। গতিকে মই এই বিষয়বোৰৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো যাতে এইবোৰৰ সংশোধন ঘটোৱা হয় আৰু আমিও ৰাইজৰ আস্থাভাজন হব পাৰো। এইখিনিকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীপূৰ্ণ বড়ো :— মাননীয় উপাধ্যক্ষ মহোদয়, সমূহীয়া উন্নয়নৰ শিতানত যি কৰ্ত্তণ প্ৰস্তাৱ উৎথাপন কৰা হৈছে তাক মই সমৰ্থন কৰি কবলৈ ওলাইছো। এই বিভাগৰ আচঁনি সমূহ কাৰ্য্যকৰী কৰোতে আমি অধিক গুৰুত্ব দিব লাগে আৰু তাৰ কাৰণে চৰকাৰৰ ফালৰ পৰাও অধীক সাহায্যৰ প্ৰয়োজন। কিন্তু পঞ্চায়ত আৰু মহকুমা পৰিষদৰ যোগেদি এই আচঁনিবোৰ কাৰ্য্যকৰী কৰোতে যেনে ধৰণে হব লাগিছিল তেনে ধৰণে হোৱা নাই। অসমত যি কেইখন গাওঁপঞ্চায়ত আছে সেই গাওঁ পঞ্চায়ত সমূহৰ কাম কাজ ঠিকমতে চলাবলৈ হলে তাত সেইমতে কৰ্মচাৰীবো প্ৰয়োজন। কিন্তু চৰকাৰে এই গাওঁপঞ্চায়ত সমূহৰ পৰা বহুতো কৰ্মচাৰী বৰখাস্ত কৰিছে। আমাৰ ৰাজ্যত মুঠতে ৭১৪ খন গাওঁপঞ্চায়ত আছে আৰু বহুতো ইয়াৰ প্ৰত্যেকখনতে অগাতে ৭-৮ জনকৈ কৰ্মচাৰীয়ে কাম কৰিছিল। কিন্তু চৰকাৰে এতিয়া প্ৰত্যেক খন গাওঁ পঞ্চায়তে তিনি জনকৈ কৰ্মচাৰী ৰাখি বাকী কৰ্মচাৰী সকলক বৰখাস্ত কৰিছে। ইয়াৰ ফলত দুই হাজাৰবো অধীক কৰ্মচাৰী বাদ পৰিব লগা হল। গতিকে গাওঁ পঞ্চায়ত সমূহে গাওঁৰ উন্নয়নৰ কাৰণে যি ভূমিকা লব লাগিছিল সেই ভূমিকা লোৱাত ব্যৰ্থ হৈছে।

মাননীয় উপাধ্যক্ষ মহোদয়, ক্ষমতা বিকেন্দ্ৰীকৰণৰ ক্ষেত্ৰত গাওঁ পঞ্চায়ত মহকুমা পৰিষদ লাগিব। গাওঁপঞ্চায়ত, মহকুমাপৰিষদ নেথাকিলে ক্ষমতা বিকেন্দ্ৰীকৰণ সম্ভৱ নহয়। তেনেস্থলত গাওঁপঞ্চায়ত আৰু মহকুমা পৰিষদ সমূহ শক্তিশালী কৰাতো প্ৰয়োজন আছিল। শক্তিশালী কৰাৰ পৰিবৰ্ত্তে দুৰ্বল কৰাৰ যত্ন কৰা হৈছে। ইতিমধ্যে বসুমতাৰী ডাঙৰীয়াই কৈছে যে আজি পঞ্চায়ত, মহকুমা পৰিষদ বিলাকৰ অৱস্থা শোচনীয়। তাত যি ঘৰ দুৱাৰ আছে গোহালিৰ নিচিনা।

শ্ৰীতিলক চন্দ্ৰ গগৈ (মন্ত্ৰী) :—উপাধ্যক্ষ মহোদয়, তেখেতৰ কিবা পৰামৰ্শ আছে নেকি?

শ্ৰীপূৰ্ণ বড়ো :— উপাধ্যক্ষ মহোদয়, মই পৰামৰ্শ দি আছো। মহকুমা পৰিষদ তথা পঞ্চায়ত সমূহ এড্‌হক হৈ আছে। এই দাবী মঞ্জুৰীত নিৰ্বাচনৰ কাৰণে যি ধনৰ প্ৰয়োজন সেই ধন ধৰা হোৱা নাই। দাবী মঞ্জুৰী এবছৰৰ কাৰণে গ্ৰহণ কৰা হব। এই এবছৰ জুৰি এড্‌হক গাওঁ পঞ্চায়ত, মহকুমা পৰিষদ নিৰ্বাচন নকৰাকৈ ৰাখি থবলৈ বিচৰা হৈছে। উপাধ্যক্ষ মহোদয়, আজি গাওঁ পঞ্চায়ত বাদ দি বাকী বিলাকত শাসক দলৰ মানুহেই আছে। আন দলৰ মানুহ নাই বুলি কব পাৰি। মোৰ নিজৰ সমষ্টিত ৬ খন গাওঁ পঞ্চায়তৰ ১ খনত পৰামৰ্শ মতে এড্‌হক কমিটিৰ সভাপতি ৰখা হৈছিল। গোবেশ্বৰৰ এখন এড্‌হক কমিটিত চৈলেচ চন্দ্ৰ দাস নামৰ ব্যক্তি এজন সেই সময়ত গাওঁ পঞ্চায়তৰ সভাপতি পতা হৈছিল। কিন্তু পাচত দেখা গল গাওঁ পঞ্চায়তৰ এড্‌হক কমিটিৰ পৰা তেখেতক বাদ দিয়া হল। তাত নতুনকৈ শাসক দলৰ মানুহ ৰখা হল। কাৰণ তেখেতৰ ভোটাৰ তালিকাত নাম নাই। যদি ভোটাৰ তালিকাত নামেই নাই তেনেহলে আগতে সেই মানুহজনক কেনেকৈ নিৰ্বাচিত হৈছিল। তাৰ মানে এই মানুহজনক ইচ্ছাকৃত ভাৱে বাদ দিয়া হৈছিল ভোটাৰ তালিকাৰ পৰা। দুই তিনিবাৰ নিৰ্বাচিত

হোৱাৰ পিচত তেওঁক বাদ দিয়াটো কি সদ্‌চায়। মই ভাবো নিৰ্বাচন সোনকালে অনুষ্ঠিত কৰাৰ প্ৰয়োজন। এবছৰৰ ভিতৰত নিৰ্বাচন পাতিব পৰা হলেও চৰকাৰে নিৰ্বাচন নাপাতিব। চৰকাৰৰ মতে এড্‌হক কমিটিয়ে চলি থাকিব লাগে। পেজ বোমান ২০, ১২ পৃষ্ঠাত দেখা গৈছে মহকুমা সাহায্য মঞ্জুৰী ১৯৮৫-৮৬ চনত ২১ লাখ ধৰা হৈছে। ১৯৮৪-৮৫ চনত ২০ লাখ আছিল। কথা হল এই সাহায্য মঞ্জুৰী আমাৰ মতে যথেষ্ট কম হৈছে। উন্নয়নমূলক কাম-কাজ কৰিবলৈ হলে এই মঞ্জুৰী কম হব। এই মঞ্জুৰী বেঁছি কৰাৰ দৰকাৰ। ঠিক সেইদৰে খণ্ড প্ৰশাসনত ২ কোটি ৮৯ লাখ ৬০ হেজাৰ ধৰা হৈছে। ইয়াত এটা কথা স্বীকাৰ কৰিব লাগিব যে এন, আৰ, ই, পি,এ আৰু আৰ, এল, ই, জি, পি, আচনিৰ কাম ব্লক সমূহৰ যোগেদি কৰিবলৈ যত্ন কৰা হৈছে। এন, আৰ, ই, পি,ৰ স্কীম ভূমি সংৰক্ষণ, চোছিয়েল ফৰেষ্ট্ৰিৰ কাম আৰু আন অনি উন্নয়ন মূলক কাম হোৱাৰ প্ৰয়োজন। তেনেকুৱা কাম পঞ্চায়ত ব্লক লেভেলত নহয়। সেই খণ্ড উন্নয়ন বিষয়াৰ কাৰ্য্যালয়ত কৰ্ম্মচাৰী নিযুক্তিৰ প্ৰয়োজন আছে। গতিকে আচনিৰ ধনৰ পৰিমাণ বৃদ্ধি কৰিব লাগিব। বোমান ২২ পৃষ্ঠাত পঞ্চায়ত মহকুমা পৰিষদৰ পৰিষদত কৰ্ম্মচাৰী বৃদ্ধিৰ কাৰণে ধন ধৰা হৈছে ২০ লাখ টকা। এই পৰিমাণ ১৯৮৩-৮৪ চনৰ কাৰণে ধন ধৰা হৈছিল তাতকৈ দুই গুণ। ১০ লাখ আছিল ১৯৮৩-৮৪ চনত আৰু এতিয়া ধৰা হৈছে ১৯৮৫-৮৬ চনত ২০ লাখ। তথাপি পঞ্চায়তৰ পৰা কৰ্মচাৰী সকলক বাদ দিব লগ া কিয় হৈছে। আমি বুজি পোৱা নাই। ঠিক সেই দৰে পঞ্চায়তৰ সম্পাদক ট্ৰেইনিংৰ কাৰণে ৪ লাখ ৫০ হেজাৰ টকা ধৰা হৈছে। এই ধনৰ পৰিমাণ ১৯৮৩-৮৪ চনত ৩ লাখ ৮৪ হেজাৰ ৫ শ টকা আছিল। ৭১৪ খন গাওঁপঞ্চায়ত আছে, সেইবিলাকত ট্ৰেইনিং লৈ সম্পাদক হৈ আছে। ১৯৮৩-৮৪ চনত সম্পাদক সকলৰ কাৰণে ধন ধৰা হৈছে। ১৯৮৪-৮৫ চনৰ কাৰণেও ধন ধৰা হৈছে। পঞ্চায়তত ট্ৰেইনিঙৰ সংখ্যা নাই, মহকুমা পৰিষদতহে সংখ্যা বাঢ়িছে। পঞ্চায়ত কৰ্মচাৰী সকলৰ দাবী মানি লব লাগে। তেওঁলোকৰ পদ বিলাক চৰকাৰীকৰণ কৰিব লাগে। অনাদায় বেতন সমূহ আদায় দিয়াৰ ব্যৱস্থা কৰিব লাগে। গাওঁ পঞ্চায়তৰ কৰ্মচাৰী সকলক মহকুমা পৰিষদৰ কৰ্মচাৰী সকলৰ নিচিনা বেতন দিয়াৰ ব্যৱস্থা কৰিব লাগে। যিবিলাকক গাওঁ পঞ্চায়তৰ ভিত্তিত পঞ্চায়ত পদত নিযুক্তি দিয়া হৈছিল সেই সকলক চৰকাৰৰ দৰমহা আয়োগৰ অনুমোদনৰ তাৰিখৰ পৰা অৰ্থাৎ ১৯৭৩ চনৰ পৰা পূৰ্বৰ পদত কাৰ্য্যকৰী হোৱাকৈ বেতন নিৰ্দ্ধাৰণ কৰিব লাগে। কৰ্ম্মচাৰী সকলৰ চাকৰী বঢ়াই মহকুমা পৰিষদক যেনে ভাবে অনুমোদন কৰি দিছে তেনেভাবে কাৰ্য্যকৰী কৰাৰ ব্যৱস্থা কৰিব লাগে। মহকুমা পৰিষদৰ কৰ্ম্মচাৰী সকলে যেনেকৈ মৰণীয়া বানচ পায়, চিকিৎসা বানচ পায়, ঠিক তেনেকৈ পঞ্চায়ত কৰ্ম্মচাৰী সকলেও পাব লাগে। এইখিনি কথা কৈ মই মোৰ কৰ্ত্তন প্ৰস্তাৱটো উত্থাপন কৰিছো।

শ্ৰীহেমেন দাস :— মাননীয় উপাধ্যক্ষ মহোদয়, এই বিষয়টোৰ ওপৰত এটা কথা কব বিচাৰিছো আমাৰ বৰ্ত্তমান যি কমিউনিটি ডেভেলপমেণ্ট আছে, আমি দেখিছো, কমিউনিটি ডেভেলপমেণ্টৰ যুগ পাৰ হৈ গৈছে। এতিয়া বৰেল ডেভেলপমেণ্টৰ যুগ। গতিকে দুয়োটাকে এটা বিষয় কৰি ৰাখিব লাগে। কমিউনিটি ডেভেলপমেণ্ট বহুত দিন আগতেই আৰম্ভ হৈছিল এতিয়া আৰু এই শিতানত টকা বেঁছি নাই। গাওঁ উন্নয়নৰ কাৰণে প্ৰচুৰ পৰিমাণৰ টকা আহিছে। সেই হিচাবে কমিউনিটি ডেভেলপমেণ্টত নাম মাত্ৰ টকা। কমিউনিটি ডেভেলপমেণ্টৰ ফালৰ পৰা কোনোবা এটা ৰাস্তাত মাত্ৰ ৪ হাজাৰ টকা দিয়ে। তাৰ খৰচ বাইজে নাৰাখে। গতিকে বিষয়টো চৰকাৰে চিন্তা কৰি চাবৰ সময় হৈছে। সকলো ঠাইতে এটা কামৰ কাৰণে বিভিন্ন বিভাগে টকা খৰচ নকৰা ভাল। গতিকে এই বাৰ বিধান সভাত এই বিষয়ে বিল উত্থাপন নকৰিলেও অহা বিধান সভাত গ্ৰাম্য উন্নয়ন বিভাগৰ লগত সমূহীয়া উন্নয়ন বিভাগ সোমাই দিয়াৰ কাৰণে বিল আনিব বুলি আশা কৰিলো। ব্লক পৰ্য্যায়ত এতিয়া দায়িত্ব আহি পৰিছে। পঞ্চায়তৰ কিন্তু কাম-কাজ নাই। মহকুমা পৰিষদেও গাওঁ উন্নয়নৰ নামত কাম নকৰে। অলপ আগতে পঞ্চায়ত কৰ্ম্মচাৰী বিলাকৰ বেতনৰ কথা উত্থাপন কৰিছে। মহকুমা পৰিষদে হাত বজাৰ ডাক দিয়ে। সকলো বস্তুৰে দাম বাঢ়িল কিন্তু বজাৰ ডাকৰ দাম নাবাঢ়িল। একেই আছে বৰং কমিছে। মহকুমা পৰিষদ বিলাকে নিজস্ব ৰাজহ সংগ্ৰহৰ কাৰণে চেষ্টা নকৰে। গতিকে এই পৰিষদৰ কোনো নতুন কাম নাই। আমি শুনিছিলো পঞ্চায়তৰ বিষয়ে নতুন কিবা আইন আহিব, কিন্তু এই অধিবেশনত তাৰ কোনো লক্ষণ নেদেখিলো। টু টায়াৰ চিষ্টেমৰ পৰিবৰ্ত্তন চৰকাৰ পক্ষৰ পৰা কৰিব বিছৰা বুলি শুনিছো। গতিকে বিষয়টোৰ সোনকালে ব্যৱস্থা লৈ আমাকো জনাব লাগে। আমি এতিয়া দেখিবলৈ পাইছো যিবিলাক পঞ্চায়ত কৰ্ম্মী আছে তেওঁলোকৰ কিছুমানৰ একো কাম নাই। কিছুমান কৰ্ম্মচাৰীৰ আগতে

উন্নয়ন খণ্ড বিলাকত কাম আছিল, এতিয়া নাই। কিন্তু আগতে ইচ্ছামতে পঞ্চায়ত বিলাকে তেওঁলোকৰ কৰ্ম্মচাৰী নিয়োগ কৰি ললে, কাৰণ তেওঁলোকৰ দা দৰ্ম্মহা দিছিল পঞ্চায়তে। এতিয়া আকৌ চৰকাৰে দিচচাৰ্জ কৰিবলৈ নিৰ্দ্দেশ দিছে। এতিয়া তেওঁলোকে কৈছে চৰকাৰে যেতিয়া নিয়োগেই কৰা নাছিল দিচচাৰ্জও কৰিব নোৱাৰে পঞ্চায়ত আইনমতে। গতিকে চৰকাৰে কমাব কলে যেতিয়া এতিয়া যিখিনি আছে তেওঁলোকক চৰকাৰে দৰ্ম্মহা দিব লাগিব। চৰকাৰে এতিয়া এই আইন সংশোধন কৰিব বিচাৰিছে। এই সম্পৰ্কে অৱশ্যে চৰকাৰৰ মতামত কি আমি একো খবৰ পোৱা নাই। এই বিষয়ে আন এটা গুৰুত্বপূৰ্ণ কথা হ'ল এই আৰ্চান বিলাকৰ উন্নয়ন মূলক চাবিকাঠি হ'ল বি, ডিও বিলাক। এই বিডিও সম্পৰ্কে চৰকাৰ সচেতন হব লাগে। মাতিয়া ব্লকত যিজন বিডিও বেয়া আছিল সেই বিডিও জন বাঁওয়াত কেনেকৈ ভাল হব? মাতিয়াৰ পৰা তেওঁ খেদা খাইছে তেওঁ বাঁওয়াত কি ভাল কাম কৰিব? আৰু, এল, ই, জি, পিৰ এখন স্কুলৰ ২ লাখ টকা খৰছ কৰিব পৰা নাই। এই জনবিৰোধী বিষয়া দ্বাৰা সাধাৰণ মানুহৰ কাম হব নোৱাৰে। এই বিভাগত সকলো বিডিওই বেয়া নহয়। কিছুমানে দিনে ৰাতিয়ে কাম কৰি আছে। কিন্তু দুই এজন মানুহ এনে বেয়া তেওঁলোকক য'তে ত'তে জাপি দিলে কি হব? গতিকে চৰকাৰে এই জাপি দিয়া অভ্যাসটো ত্যাগ কৰক। এই বাঁওয়াৰ বিডিও জনে ১৯৮৪-৮৫ চনৰ টকা আজিও খৰছ কৰা নাই। এওঁৰ পৰা কি আশা কৰিব পাৰি? তেওঁৰ বিৰুদ্ধে ব্যৱস্থা লব লাগে।

গতিকে মোৰ পৰামৰ্শ হ'ল এই খণ্ড উন্নয়ন বিষয়া অৰ্থাৎ পঞ্চায়তৰ সমূহীয়া উন্নয়ন বিভাগটো গ্ৰাম্য উন্নয়ন বিভাগৰ লগত সোমাই দিব লাগে।

*শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ :— মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য সকলে যিটো কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰিছে মই তাৰ বিৰোধীতা কৰি এটা পৰামৰ্শ আগবঢ়াব বিচাৰিছো। আমাৰ পঞ্চায়ত মন্ত্ৰীয়েও পৰামৰ্শ আগবঢ়াবলৈ কৈছে গতিকে পৰামৰ্শ আগবঢ়াব খুজিছো। উপাধ্যক্ষ মহোদয়, ইতিমধ্যে উল্লেখ কৰা হৈছে আমাৰ গাওঁ পঞ্চায়তৰ কিছুমান কৰ্ম্মী আছে তেওঁলোকক ৰাখিব লাগে। এই পঞ্চায়ত কৰ্ম্মচাৰী বিলাকক মহাত্মা গান্ধীৰ আদৰ্শ সাৰোগত কৰি কাম কৰিবলৈ নিয়োগ কৰিছিল। এই লোক সকলে নিম্নস্তৰত কাম কৰি আহিছে। আজি এই সময়ত তেওঁলোকক আতৰাই দিলে বেয়া হব আৰু মানবীয়তাৰ ফালৰ পৰাও বোধকৰো এইটো চিন্তা কৰিবলগীয়া কথা। মোৰ পৰামৰ্শ হ'ল যে এই কৰ্ম্মচাৰী সকলক চৰকাৰীকৰণ কৰিব লাগে। এনে ধৰণৰ কৰ্ম্মচাৰী আছে ৪০৭২ জন আৰু এওঁলোকৰ স্থায়ীত্বৰ কাৰণে বিভিন্ন পৰ্য্যায়ত চৰকাৰৰ লগত আলোচনা হৈ আছে।' চৰকাৰে কেতিয়া কেতিয়া কি কৈছে কৰিছে বিভিন্ন চিঠি পত্ৰ আছে আৰু আমাক দিছিলো, সেই কাৰণে মই চৰকাৰক অনুৰোধ কৰিব বিচাৰিছো যাতে তেওঁলোকৰ চাকৰী বিলাক চৰকাৰীকৰণ কৰে। তেখেত সকলে দৰ্ম্মহা বাবদ ৰাজহৰ কিছু অংশ প্ৰায় ২ কোটি ৭১ লক্ষ্য টকা পায়। যোৱাবাৰ তেওঁলোকৰ বেতনৰ কাৰণে ২০ লক্ষ্য টকা সহায়িকী হিচাবে লোৱা হৈছে। এইবাৰ এই শিতানত ২১ লক্ষ্য টকা ধাৰ্য্য কৰিছে। তেওঁলোকে ২ কোটি ৭১ লক্ষ্য টকা পায় গতিকে তেওঁলোকৰ চাকৰী চৰকাৰীকৰণ কৰিবলৈ ৩ কোটি ৩০ লক্ষ্য ৫৪ হাজাৰ টকা লাগে। গতিকে দেখা যায় মাত্ৰ ৩৮ লক্ষ্য ৫৪ হাজাৰ টকা ৰাজহ উলিয়াব পাৰিলেই এওঁলোকক চৰকাৰীকৰণ কৰিব পাৰে। আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে অয়ল ৰয়েলটি বাঢ়িব বুলি কৈছে। গতিকে তাৰ পৰা কিছু টকা বাহি কৰি হলেও এই পঞ্চায়ত কৰ্ম্মচাৰী সকলক দাদৰ্ম্মহাৰ ব্যৱস্থা কৰিব পৰা যায়। এই কথাটো চিন্তা কৰাৰ প্ৰয়োজন হৈ পৰিছে। লগতে সমূহীয়া উন্নয়ন বিভাগত এই বিভাগৰ কিছু কৰ্ম্মচাৰী যোগ্যতা অনুসাৰে মকৰল কৰিব পাৰে। গতিকে মোৰ পৰামৰ্শ হ'ল যে ৩৮ লক্ষ্য ৫৪ হাজাৰ টকা অতিৰিক্ত খৰছ কৰি হলেও চৰকাৰে এইখিনি টকা নিশ্চয় উলিয়াব পাৰিব এই কৰ্ম্মচাৰী সকলক চৰকাৰীকৰণ কৰিব লাগে। মোৰ বিশ্বাস পঞ্চায়ত মন্ত্ৰী মহোদয়ে আমাৰ এই পৰামৰ্শ গ্ৰহণ কৰিব আৰু এই পৰামৰ্শ গ্ৰহণ কৰিলে বোধহয় বিৰোধী পক্ষইও কৰ্ত্তন প্ৰস্তাৱটো উঠাই লব।

*শ্ৰীমহম্মদ আলি :— মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ পঞ্চায়ত মন্ত্ৰীয়ে আজি যি দাবী মঞ্জুৰী আনিছে তাৰ সমৰ্থন জনাই আৰু বিৰোধী পক্ষই তাৰ বিৰোদ্ধে যি কৰ্ত্তন প্ৰস্তাৱ আনিছে তাৰ বিৰোধীতা কৰি মই মোৰ বক্তব্য পেছ কৰিম।

*Speech not corrected.

মাননীয় উপাধ্যক্ষ মহোদয়, ভাৰতবৰ্ষৰ গ্ৰাম্য জীৱন সংগঠিত কৰিবৰ কাৰণে জাতিৰ জনক মহাত্মা গান্ধীয়ে যি পৰামৰ্শ আগবঢ়াইছিল সেই পৰামৰ্শ গ্ৰহণ কৰা আমাৰ উচিত আছিল। তেখেতে ভাৰতবৰ্ষৰ গ্ৰাম্য জীৱন সংগঠিত কৰিবৰ কাৰণে তিনিটা ইউনিটৰ কথা উল্লেখ কৰিছিল যদিও আজি দেশে স্বাধীনতা লাভ কৰাৰ পিছত পঞ্চায়তৰ বাকী দুটা ইউনিট নাকচ হৈ গল। কেৱল এতিয়া 'ডেভেলমেণ্ট ইউনিট'টোহে বিবেঁচিত হৈ আছে।

মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ কেইবাজনো মাননীয় সদস্যই কোৱা মতে মইও কও যে, যি সকল কৰ্মচাৰীক আতৰ কৰিব খুজিছে সেই সকলক আতৰ নকৰি তাৰ পৰিবৰ্তে 'ৰোৰেল ডেভেলমেণ্ট' বিভাগৰ জৰিয়তে 'ব্লক লেভেল'ত আচনি চৰকাৰে পৰিৱৰ্ত্তন কৰিছে সেই আচনি বিলাকৰ কাৰ্য্যকাৰিতা বিলাক চোৱা চিতা কৰিবৰ কাৰণে এই সকল বিষয়াক নিয়োগ কৰিব পাৰি। কিয়নো কিছুমান 'ব্লক এক্সটেনশ্বন' অফিচাৰ আদি আছে যদিও ৪০ মাইল জুৰি থকা একো একোটা অঞ্চলৰ ওপৰত গাড়ী ঘোঁৰা আদি নথকাকৈ তেওঁবিলাকে চোৱা চিতা কৰা সম্ভৱপৰ নহয়। গতিকে প্ৰয়োজন হলে 'লেণ্ড ৰেভিনিউচেয়াৰ' বঢ়াই দি হলেও এই সকল কৰ্মচাৰী নিয়োগ কৰাৰ দিহা কৰিব লাগে।

মাননীয় উপাধ্যক্ষ মহোদয়, এই আচনি সমূহ আৰম্ভ কৰোতে আমি পাই অহা কিছুমান আসোৱাহৰ কথাও মই উল্লেখ কৰিব খুজিছো। এই সম্পৰ্কে আমাৰ জনপ্ৰিয় চৰকাৰে অলপ নজৰ দিব লাগে। এ, এন, পি প্ৰগ্ৰামৰ কিছুমান টকা মহকুমা পৰিষদৰ জৰিয়তে ব্লক সমূহলৈ যায় যাতে স্কুল সমূহত ফলৰ গছ লগাব পাৰে। যিবিলাক ফল চাৰি পাছ বছৰৰ ভিতৰতে আমাৰ লৰা-ছোৱালী বিলাকে ভোগ কৰিব পাৰে। কিন্তু উপাধ্যক্ষ মহোদয়, প্ৰগ্ৰামৰ টকা পইচা বিলাক গৈয়েই আছে কিন্তু কামত একো হোৱা নাই। সেইদৰে বানবিধ্বস্ত অঞ্চলত লৰা-ছোৱালীক পুষ্টিকৰ খাদ্য খুৱাবৰ কাৰণে যি আঁচনি হৈছে সেই মতে ব্লক এডভাইজাৰ কমিটিয়ে কিছুমান গাওঁ চিলেক্ট কৰে। এই ক্ষেত্ৰত বিশেষকৈ মই গোৱালপাৰা জিলাৰ কথাই কব খুজিছো। ব্লক এডভাইজাৰি কমিটিয়ে চিলেক্ট কৰা গাওঁৰ কাৰণে মহকুমা পৰিষদৰ জৰিয়তে ব্লকলৈ যোৱা টকা কি হল তাত সন্দেহ আছে। মহকুমা পৰিষদৰ কেন্দ্ৰত গাওঁৰ পৰা লৰা-ছোৱালীক খুউৱাৰ কথা আছিল। কিন্তু মহকুমা পৰিষদে নিজেই খালেনেকি এইটোত সন্দেহ আছে।

সেইদৰে মাননীয় উপাধ্যক্ষ মহোদয়, মটৰ ভেহিকুল টেক্সৰ কিছুমান টকাও 'কমিউনিটি ডেভেলপমেণ্ট' বিভাগৰ ফালৰ পৰা মহকুমা পৰিষদৰ জৰিয়তে ব্লক সমূহলৈ যায়। এইদৰে বিভিন্ন আচনিৰ যি বিলাক টকা যায় সেই টকা বিলাক ঠিকমতে খৰছ হৈছেনে নাই সেই কথা বিলাক অলপ চাব লাগে। তাৰোপৰি, টকা পইচা বিলাক সময় মতে যোৱাৰ ব্যৱস্থা কৰিব লাগে। গাওঁ পঞ্চায়ত সমূহ শক্তিশালী কৰাত আমি আতায়ে একমত। কিন্তু এই খিনি কৰিবলৈ যাওঁতে আমি এইটো চাব লাগে যে, এই টকা বিলাক ঠিকমতে খৰছ হৈছেনে নাই ?

মাননীয় উপাধ্যক্ষ মহোদয়, এইখিনিকে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীচিৰ্লভিউচ কন্দপান :— মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সমূহীয়া উন্নয়ন দপ্তৰৰ মন্ত্ৰী মহোদয়ে উত্থাপন কৰা দাবী মঞ্জুৰীৰ সমৰ্থনত আৰু বিৰোধী পক্ষই অনা কৰ্ত্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি মই কেইআষাৰ মান কথা কব খুজিছো।

উপাধ্যক্ষ মহোদয়, এই বিভাগত আমাৰ চৰকাৰে যি পৰিমাণে গুৰুত্ব আৰোপ কৰিব লাগিছিল সেই পৰিমাণে গুৰুত্ব আৰোপ কৰা নাই যেন লাগে। কিয়নো এই পঞ্চায়ত কৰ্ম্মী সকলৰ চাকৰিৰ নিৰাপত্তা আজিলৈকে চৰকাৰে দিব নোৱাৰিলে। এই পঞ্চায়ত কৰ্ম্মচাৰী সকলৰ জৰিয়তেই চৰকাৰে সমূহীয়া উন্নয়ণ বিভাগৰ চৰকাৰী আচনি সমূহ ৰূপায়িত কৰাত ব্যৱহাৰ কৰে। যি সকল চাকৰিয়ালে তেওঁলোকৰ চাকৰিয়েই যেতিয়া নিৰাপত্তা নাই বুলি ভাৱে তেতিয়া হলে এই আচনি বিলাকৰ সফল ৰূপায়ণৰ ক্ষেত্ৰত তেখেত সকলে দেহে কেহে নিজকে আত্মনিয়োগ কৰাৰ কথাটো আমি ভাৱিবই নোৱাৰো।

माननीय उपाध्यक्ष महोदय, आमाৰ অন্যান্য माननीय সদস্য সকলে যেনেকৈ এই পঞ্চায়ত কৰ্ম্মচাৰী সকলৰ চাকৰিৰ নিৰাপত্তাৰ কাৰণে পৰামৰ্শ দিছে সেইদৰে মইও সেই পৰামৰ্শকে চৰকাৰৰ ওচৰত পেছ কৰিছো।

দ্বিতীয়তে, উপাধ্যক্ষ মহোদয়, বি, ডি, অ সকলক আমি বিভিন্ন আৰ্চান বিলাকৰ চোৱা-চিতা কৰাৰ দায়িত্ব আদি দিওঁ কিন্তু বহুত সময়ত তেওঁবিলাকে গাড়ী আদি নথকাৰ কাৰণে ঠিকমতে সেই আৰ্চান বিলাক তদাৰক কৰিব নোৱাৰে। বহু সময়ত আমি তেওঁলোকক গাড়ী দি সহায় কৰো যদিও সদায় আৰু সকলো সময়তে সেইটো কৰাও সম্ভৱপৰ নহয়। গতিকে অধিক দায়িত্বলৈ আধিক্যলৈ চাই এই বি, ডি, অ সকলকো একোখন গাড়ী দিয়াৰ ব্যৱস্থা কৰিব লাগে।

তাৰোপৰি, প্ৰমোচনৰ ক্ষেত্ৰতো বৈষম্য আতৰাই অৰ্হতা আৰু অভিজ্ঞতাৰ ভিত্তিৰ প্ৰমোচন দিয়াৰ ব্যৱস্থা কৰিব লাগে। কিয়নো বহুতো বিষয়া এইদৰে চৰকাৰৰ বৈষম্যমূলক নীতিৰ ফলত প্ৰমোচন নোপোৱাকৈয়ে আছে। ফলত তেওঁলোকৰ মনত হতাশা আৰু নৈৰাশ্যই গা কৰি উঠিছে। সেয়েহে এই কথা বিলাক চিন্তা কৰি যোগ্যতা, অৰ্হতাৰ ভিত্তিত কথা বিলাক চিন্তা কৰি প্ৰমোচন দিয়াৰ ব্যৱস্থা কৰিব লাগে।

আৰু এটা কথাৰ প্ৰতি মই চৰকাৰৰ দৃষ্টি গোচৰ কৰিছো। সেইটো হৈছে কাৰ্য্যালয়ৰ ক্ষেত্ৰত। ৰাজ্যৰ বিভিন্ন ঠাইত ৩০।৩২ বছৰৰ আগতে নিৰ্মাণকৰা কাৰ্য্যালয় আদি আছে।

চাৰ, পঞ্চায়ত বিভাগৰ বিভিন্ন ঠাইত ঘৰ আছে। আজি ত্ৰিশ বত্ৰিশ বছৰ আগতে সেই ঘৰ বিলাক নিৰ্মাণ কৰা হৈছিল সেই বিলাকেই ঘৰ হিচাবে আছে। কাৰ্য্যালয় হিচাবে আছে। বছৰি বছৰি মেৰামতি হব লাগে কিন্তু হোৱা নাই। উদাহৰণ স্বৰূপে মাজবাট ডেভেলামেণ্ট ব্লকৰ কথাকে কব পাৰি। ১৯৫২ চনতে নিৰ্মাণ কৰা হৈছিল সেই ঘৰ বিলাক কিন্তু আজিকোপতি কোনো মেৰামতি কৰা হোৱা নাই। এতিয়া তাত সাপ-বেং-ভালুকৰ বাহ হব ধৰিছে। জাৰ্মাণি বন গজি হাবি কৰিব ধৰিছে। এই বিলাক কথা চিন্তা কৰিব লাগে। এই কেইটা কথাকে পৰামৰ্শ হিচাবে দাঙি ধৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

*শ্ৰীতিলক চন্দ্ৰ গগৈ (পঞ্চায়ত মন্ত্ৰী) :— माननीय অধ্যক্ষ মহোদয়, সমূহীয়া উন্নয়ন শিতানত মই যি মঞ্জুৰীৰ দাবী উত্থাপন কৰিছিলো সেই সন্দৰ্ভত আমাৰ উভয় পক্ষৰেই ভালেমান माननीय সদস্যই বহু কেইটা বহুমূলীয়া পৰামৰ্শ আগবঢ়াইছে। তেখেত সকলৰ মাজৰ পৰা যি ধৰণে পঞ্চায়তৰ পৰম্পৰা দাঙি ধৰিছে তাত পঞ্চায়তৰ ভৱিষ্যত বৰ্ত্তমান আৰু অতীত এই কেইটা কথাৰে উল্লেখ কৰিছে। ইয়াৰ লগতে ভৱিষ্যত আঁচনিত উন্নয়ন শক্তিশালী কৰি আমাৰ বিভিন্ন বিভাগৰ পৰা বিভিন্ন ৰকমে শিতানৰ পৰা অহা টকা কেনে ভাবে খৰচ কৰাৰ চিন্তা কৰা হৈছে সেই বিষয়টো চৰকাৰলৈ পৰামৰ্শ দাঙি ধৰিছে। এই বিভাগটো সামূহিক জীৱনৰ কাৰণে খুব দৰকাৰী। সামূহিক উন্নয়ন খণ্ডৰ যোগেদি কাম কৰাটোৱেই আমাৰ পঞ্চায়ত ব্যৱস্থাৰ কনচেপ্ত। এইটো দেশ স্বাধীন হোৱাৰ আগৰে পৰাই চলি আছে। আমাৰ স্বাধীনতা পোৱাৰ আগতে বহু কাম এই পঞ্চায়তৰ জৰিয়তে কৰাৰ কথা আছিল। দেশ স্বাধীনতা হোৱাৰ পিচত মহাত্মা গান্ধীৰ আদৰ্শত তাক আইনগত ভাবে পঞ্চায়তীৰাজৰ সপোন দেখা হৈছিল আৰু লোকেলবোৰ্ডৰ আধাৰত লীডাৰচিপ দি গঢ়ি তুলি ৰামৰাজ্যৰ সপোন বাস্তৱ কৰিব বিচৰা হৈছিল। স্কুলৰ মাষ্টৰৰ দৰমহা দিয়াকে আৰম্ভ কৰি স্থানীয় ক্ৰাইম বিলাকৰ বিচাৰ, উন্নয়ণ মূলক কাম ইত্যাদি সকলোবোৰ এই পঞ্চায়তৰ দ্বাৰাই কৰিব বিচৰা হৈছিল। সেই হিচাবে সেই উদ্দেশ্যেৰেই গাঁৱলীয়া পঞ্চায়ত গঠিত হৈছিল। আঞ্চলিক পঞ্চায়ত গঠিত হৈছিল। এইটো হল পঞ্চায়ত বিভাগৰ বুৰঞ্জী আৰু এইটো আমাৰ প্ৰায় ভাগ माननीय সদস্যই এই সকলোবোৰ কথা জানে। পঞ্চায়ত বিভাগত আগৰ লোকেল বোৰ্ডৰ কৰ্ম্মী সকলৰ নিচিনা দায়িত্ব আছে। দেশ স্বাধীন হোৱাৰ পিচত ১৯৪৯ চনত বিভিন্ন ৰকমৰ প্ৰজেক্ট আগবাঢ়ি আহিছে ১৯৭২ চনত আমাৰ যি আইন হ'ল সেই আইনৰ দ্বাৰা আগৰ পৰা কৰি অহা কাম বহুখিনি নোহোৱা কৰি দিয়া হল। ক্ষমতাৰ বিকেন্দ্ৰী-

*Speech not corrected.

কৰণৰ কাৰণে আৰু সেই অঞ্চলত কাম কাজ চোৱাৰ কাৰণে আৰু লোকেল লীডাৰচীপ গঢ়ি তোলাৰ কাৰণে লগতে প্ৰশাসনীয় কাম কাজ চোৱাৰ কাৰণে ই এটা ক্ষুদ্ৰ অথচ শক্তিশালী গোট হৈছিল। খেতিয়কৰ কাৰণে খেতিৰ সা-সুবিধা, নাঙল আদি সজুলিৰ ব্যৱস্থা ইত্যাদি সকলোবোৰ সুবিধাৰ ব্যৱস্থা কৰিব পৰা গৈছিল। কিন্তু আইন সংশোধিত হোৱাৰ পিচত এই সুবিধা বিলাক নাইকীয়া হল। এইটো ঠিক। কিন্তু এতিয়া পঞ্চায়ত দুই খলপীয়া হৈ গাওঁ পঞ্চায়ত আৰু মহকুমা পৰিষদ নামত গঠিত হৈছে। নতুন আইনৰ আধাৰত নতুন নতুন কাম কৰিবলৈ ব্যৱস্থা কৰাৰ কথা চিন্তা কৰা হৈছে। পঞ্চায়ত আয়নৰ ওপৰত আমাৰ চৰকাৰে গুৰুত্ব আৰোপ কৰি আহিছে। সম্প্ৰতি কুৰিদফীয়া আঁচনি কাৰ্য্যকৰী কৰিবলৈ যাওঁতে প্ৰয়া আটাইখিনি দায়িত্ব সেই লেভেলত দিয়া হৈছে। যাতে গাওঁৰ মানুহে সা-সুবিধা পাব পাৰে তাৰ কাৰণেই সেই লেভেলত দিয়া হৈছে। আমাৰ বিভিন্ন বিভাগৰ টকা যি আহিব সেই খিনি খৰচ কৰাৰ কাৰণে পঞ্চায়তৰ কাৰণে সামগ্ৰিক আইন কৰাৰ কাৰণে চৰকাৰে বিবেচনা কৰি আছে। মাননীয় সদস্য সকলে নিজৰ নিজৰ মতামত এই সম্পৰ্কত দাঙি ধৰি কেনেকৈ হলে ভাল হয় সেইটো জনালে ভাল হব। কিয়নো সেই বিলাক চালি জাৰি চাই গ্ৰহণ কৰিবলৈ সুবিধা হব। কুৰিদফীয়া আচঁনি ৰূপায়ণৰ ক্ষেত্ৰত বি-ডি-অ'ৰ ওপৰত সৰ্বাধিক গুৰুত্ব আৰোপ কৰা হৈছে। বি-ডি—অ' সকলৰ অৰ্হতা আগতে যি আছিল এতিয়া সেইটো নাই। আগতে হয়তো কৰবাত গ্ৰাম-সেৱকৰ পৰাও গৈ বি-ডি-অ' হৈছে, পিচত যেনিবা আণ্ডাৰ মেট্ৰিক, মেট্ৰিকুলেট, আণ্ডাৰ গ্ৰেজুৱেট অৱাদ পৰ্য্যায়ক্ৰমে গ্ৰেজুৱেট বি-ডি-অ' লাহে লাহে হৈছে। আমাৰ সদনৰ মাননীয় সদস্য সকল প্ৰতি জনেই বি-এল-চি-চিৰ চেয়াৰমেন। যিহেতু এই সুবিধাকে প্ৰতিটো ব্লকৰ কাম কাজত গাইড দিয়াত সুবিধা পাইছে আৰু তেনেদকে বি-ডি-অ' সকলৰ লগত নিৰ্দ্দেশ দি কাম কৰিবলৈ সুবিধা পাইছে। ইয়াৰ দ্বাৰা মাননীয় সদস্য সকলে কোন খিনিত কি অসুবিধা পাইছে সেইটো এটা অভিজ্ঞতা হৈছে আৰু তাৰ নিৰাময়ৰ কাৰণে কেনে ব্যৱস্থা গ্ৰহণ কৰিব পাৰিলে ভাল হব তেনেকুৱা পৰামৰ্শ চৰকাৰৰ ওচৰত দাঙি ধৰিবলৈ সুবিধা হৈছে। সেই কাৰণে মই মাননীয় সদস্য সকলক এইটো অনুৰোধ জনাইছো যেন সেই ভাবে অভিজ্ঞতা ভিত্তিক পৰামৰ্শ দি পঞ্চায়ত ব্যৱস্থা শক্তিশালী কৰাত সহায়ক হয়।

মাটিয়া ব্লকৰ কথা উল্লেখ কৰিছে কিন্তু তাত বি-ডি-অ' নিজে খেতি পথাৰলৈ যোৱাটো সম্ভৱপৰ নহয়। তেখেতক মই বঙিয়া বা হাজো অথবা আন কৰবালৈ বদলি কৰিব পাকো কিন্তু সমস্যাৰ তাতেই সমাধান নহব। চৰকাৰী বিষয়া বা কৰ্ম্মচাৰী যি সকল আছে সেই সকলো বিলাকেই যে সমানে দায়িত্বশীল সেইটো হব নোৱাৰে কিন্তু মাননীয় সদস্য সকলে যিহেতু অঙ্গাঙ্গী ভাবে কাম কৰিবলৈ সুবিধা পাইছে সেই হেতুকে যি যি ঠাইত অলপ অচৰপ আসোঁৱাহ পাইছে, যি দুই এজন বিষয়া কৰ্ম-চাৰীৰ ক্ষেত্ৰত অসুবিধা দেখিছে সেইখিনি সংশোধন কৰি লোৱাৰ চেষ্টা কৰিব লাগে। মই এই মৰ্ম্মে মাননীয় সদস্য সকললৈ অনুৰোধ ৰাখিছো। আমি চৰকাৰৰ পক্ষ যে ব্যৱস্থা নলম সেইটো নহয় কিন্তু কেৱল চৰকাৰী ব্যৱস্থাই সকলো নহয়। সেই সকলক সংশোধন কৰিবলৈ যি সুবিধা পোৱা যায় সেইটোও কৰা হলে ভাল হয়। বেয়া খিনি সংশোধিত হলে সেই সকলেই আমি বিচৰা মতে কাম সম্পাদন কৰিবলৈ সমৰ্থ হব বুলি মোৰ বিশ্বাস।

তেওঁলোকৰ যিখিনি বেয়া আছে সেইখিনিৰ দায়িত্ব আমাৰ যিসকল চেয়াৰমেন আছে, তেওঁলোকে যদি গ্ৰহণ কৰে তেতিয়া হলে আমাৰ চৰকাৰৰ সুবিধা হয়। তেওঁলোকৰ মাজতো বহুত সমস্যা আছে। তেওঁলোকৰ মাজত পুৰুষও আছে মহিলাও আছে। বি, ডি, অ' সকলে বহুত কাম কৰিব লাগে। কিন্তু তেওঁলোকৰ এখন গাড়ীও নাই। যিবিলাক এক্সটেনশ্বন অফিচাৰ আছে তেওঁলোকে গাঁৱে-ভূঁইয়ে বহুত ঘূৰিব লাগে। কিন্তু তেওঁলোকক এখন গাড়ীৰ সুবিধা আমি দিব পৰা নাই। সেই খিনি সুবিধা আমি দিব পাৰিব লাগিছিল। কুৰিদফীয়া আঁচনিত বহুত কাম তেওঁলোকক কৰিবলৈ দিয়া হৈছে। তেওঁলোকে দিনে ৰাতিয়ে কাম কৰিবলগীয়া হৈছে। অন্য ৰাজ্য বিলাকৰ নিচিনাকৈ আমাৰ অসম ৰাজ্যখন যদিও আগবাঢ়ি যাব পৰা নাই বুলি কৈছে তথাপিও নানান অসুবিধাৰ মাজত হলেও এই অফিচাৰ সকলে আগুৱাই যাবলৈ চেষ্টা কৰিছে। কিন্তু আমি দিবলগীয়া সুবিধাখিনি দিব পৰা নাই। অহা পৰিকল্পনাত যি টকা পইচা পোৱাৰ কথা আছে তাৰে আমি সুবিধা দিবলৈ বিচাৰিছো। যিসকল বি, ডি, ও, ৱে ভাল কাম কৰা নাই বুলি অভিযোগ আনিছে সেই সকল বি, ডি,ও, ক আমি শিকাই বুজাই লব লাগিব। তেওঁলোকক কাম কৰিবলৈ বাধ্য কৰাব লাগিব। তাৰ পাচত

পঞ্চায়ত কৰ্মী সকলৰ কথা উল্লেখ কৰিছে। তেওঁলোকৰ এটা নতুন দাবী আহিছে, সেইটো হৈছে দৰমহাৰ বিষয়লৈ। চৰকাৰে তেওঁলোকৰ লগত যে অসহযোগ কৰিছে সেইটো নহয়। সেইটো কেনেকৈ কৰিলে সুবিধা হব সেইটো আমি চিন্তা কৰি আছো। পঞ্চায়তে দাবী কৰিছে যে পঞ্চায়ত কৰ্মী সকল প্ৰভিন্সিয়েলাইজ কৰিলে তেওঁলোকৰ কাম নহয়। কাৰণ চৰকাৰী কৰ্মচাৰী হলে তেওঁলোকৰ নতুন কিছুমান কথা আহিব। সেইটো হৈছে কুৱালিফিকেশ্বন লাগিব, বয়স লাগিব। এইটো কথা আইন মতে পঞ্চায়ত বিৰোধী হব। লেণ্ড ৰেভিন্যুৰ লোকেল ৰেটৰ চেয়াৰৰ বিষয়ে চৰকাৰৰ ফালৰ পৰা এটা দিবেকচন আছিল। অৱশ্য ঠিক নিৰ্দ্দেশ নহয়, লেণ্ড ৰেটত শতকৰা ৪৫ লব আৰু লোকেল ৰেটত শতকৰা ৫ ভাগ পাব। মাননীয় সদস্য সকলে গাওঁপঞ্চায়ত আৰু মহকুমা পৰিষদৰ কৰ্মচাৰী সকলক চৰকাৰীকৰণ কৰাৰ কথা কৈছে। কিন্তু তেওঁলোকক বিভাগীয় কৰিবলৈ হলে তেওঁলোকৰ শিক্ষা আৰু বয়স লাগিব। গতিকে তেওঁলোকৰ নিয়োগৰ ব্যৱস্থাটোৰ কাৰণে আমি চিন্তা কৰি আছো। সেইকাৰণে মই মাননীয় সদস্য সকলক কৈছিলো আপোনালোকৰ পৰামৰ্শ থাকিলে আমাৰ ওচৰত ডাঙি ধৰক। কি কৰিলে ভাল হয় সেইটো আমাক জনাব লাগে। আইন মতে এমপ্লইই সকলক বিএমপ্লইই কৰিবলৈ চৰকাৰে বিবেচনা কৰি আছে। মাননীয় সদস্য শ্ৰীবসুমতাৰী ডাঙৰীয়াই ওদালগুৰিৰ যিটো কথা কৈছে এনকুইৰাৰীৰ এটা অংশ মোৰ হাতত আছে। গোটেইটো আহিলে মই এটা ব্যৱস্থা লম। ৰাঙিয়াৰ বি, ডি, ও, জনৰ যিটো কথা কৈছে এইটো কথাত মোৰ কাৰণে অসুবিধা হৈছে। বি, ডি, অ' বিলাকৰ ট্ৰেন্সফাৰ পোষ্টিঙৰ সম্পৰ্কে বহুতেই অসুবিধা হৈছে বুলি কৈছে। বহুত বি, ডি, অ' প্ৰি, এফ, ত নিযুক্ত দিয়া হৈছে আৰু বহুতো তলৰ পৰা প্ৰমোচন দিয়া হৈছে। গতিকে তেওঁলোকে কাম বিলাক বুজি লওঁতে কিছু সময় লব। চৰকাৰী নিয়ম মতে বি, ডি, অ' সকলক ট্ৰেন্সফাৰ পোষ্টিং কৰাৰ কাৰণে প্ৰধান মন্ত্ৰীৰ এটা নিৰ্দ্দেশ দিয়াৰ কথা আছে। সেইটো হৈ উঠিলে এই বিলাকৰ মীমাংসা হৈ যাব। বৰ্ত্তমান বহুত ঠাইত বি, ডি, অ' সকল নিৰ্বাচনৰ কামত লাগি আছে। আৰু বহুত নতুন বি, ডি, অ' ই কামত জইন কৰিব পৰা নাই। গতিকে মই মাননীয় সদস্য সকলক অনুৰোধ কৰিছো যে এই তিনিমাহ মান তেওঁলোকে সহযোগ কৰিলে মোৰ বিভাগটো মই সজাই লব পাৰিম। এই সহযোগ আপোনালোকৰ পৰা পাম বুলি মই আশা কৰিলো।

মোটামোটি ভাবে আমাৰ আইন সম্পৰ্কীয় কিছুমান কথাত আমি আহিব পৰা নাই। কাৰণ ৰুৰেল ডেভেলপমেণ্টটো ইয়াৰ ভিতৰত সোমাই দিব বিচাৰিছে। আৰু পঞ্চায়তত এইটো সোমাই পৰিলে এই ওৱৰ্ক লোডটো বাঢ়ি যাব। গতিকে এইবিলাক ঠিক কৰিবৰ কাৰণে বিভিন্ন পৰ্য্যায়ত আলোচনা হৈ আছে। বিৰোধী পক্ষৰ লগতো আলোচনা কৰিবলগীয়া আছে। তাৰ পাচত এটা কথা যে হাই পাৱাৰ এক্সপাৰ্ট বহুৱাই সপ্তম পৰিকল্পনাত যিটো টকা আহিছে সেই বিষয়ে আমি চাম। মাননীয় সদস্য পূৰ্ণ বড়ো ডাঙৰীয়াই গোবেশ্বৰৰ কথা উল্লেখ কৰিছে। পঞ্চায়ত আইন মতে লিষ্টখন তৈয়াৰ কৰা হৈছে আৰু সেইমতে দুই তিনিবাৰ চেয়াৰমেন হৈছে। কিন্তু এই বছৰ তেওঁৰ নামতো নাই। এম, এল, এই হওক বা পঞ্চায়তৰ সভাপতিয়েই হওক নমিনেচন নাপায়। আমাৰ ভোটাৰ লিষ্টখন সেই কাৰণে— ইলেকচন হব নে নহয় সেইটো চাবলগীয়া হল।আৰু এইটো দৰকাৰ হলে এই কথাটো এটা ফাইনেল কৰিবলৈ মাননীয় সদস্য সকলৰ লগত আলোচনা কৰিব লাগিব। কৰবাত কিবা কেতিয়াবা লেপচ্ হব পাৰে কাৰণ ইমান বৃহৎ পুজিৰ কাম চলি আছে তথাপিতো তেনেধৰণৰ যদি কিবা স্পেচিফিক কেচ থাকে সেই বিষয়ে মোক জনালে নিশ্চয় ব্যৱস্থা লম। এইখিনি কৈয়ে মাননীয় বিৰোধী পক্ষৰ সদস্য সকলে যি কৰ্ত্তন প্ৰস্তাৱ আনিছে সেইটো উঠাই লবলৈ অনুৰোধ জনালো।

**Shri BINOY KUMAR BASUMATARI.**—Sir. the Hon'ble Minister has requested us to give our opinion. In what form should we give our opinion, should it be individually or otherwise?

শ্ৰীতিলক গগৈ (মন্ত্ৰী) :— সদনৰ সদস্য হিচাবে দুই চাৰিজনে কৈছে, মাননীয় সদস্য হেমেন দাস আৰু দুই এজন সদস্যই তেওঁলোকৰ ভিউজ ডাঙি ধৰিব। আপোনালোকে যিটো ভাল হয় সেইটো কৰিব। চৰকাৰে এইক্ষেত্ৰত মুকলি ভাবে আছে। ৰুলিং পাৰ্টিৰেই হওক বা অন্যান্য পাৰ্টিৰেই হওক সকলোৱে সহযোগিতা কৰিলে কামতো সুবিধাজনক হব। সেই কাৰণে এতিয়া কিবা যদি পৰামৰ্শ ডাঙি ধৰে তেতিয়া হলে মই চাম।

Shri BINOY KUMAR BASUMATARI.—Sir, I beg leave to withdraw my cut motion.

শ্ৰীমথুৰা ডেকা :— এইক্ষেত্ৰত সন্দেহ কৰিব নালাগে। এই পাচ বছৰ আৰু চিন্তা কৰিব নালাগে। মাজে সময়ে যদি আমাৰ বিধায়ক সকলক মাতি প্ৰতি জন মন্ত্ৰীয়ে আলোচনা বিলোচনা কৰে তেতিয়াহলে নিশ্চয় কাম বিলাক ভালদৰে চলিব। ইয়াকে কৈ মই কৰ্ত্তন প্ৰস্তাৱ উঠাই ললো।

*শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) :— আমাৰ পঞ্চায়ত বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই কৈছে যে আলোচনা কৰিব লাগিব, পঞ্চায়ত আইনখন এখন গুৰুত্বপূৰ্ণ আইন আৰু এইখন সংশোধন কৰাৰ কাৰণে চেষ্টা চলি আছে আৰু বিৰোধী পক্ষৰ পৰা শ্ৰীদাস ডাঙৰীয়াই কৈছে যে পঞ্চায়ত ডিপাৰ্টমেন্টটো ৰুৰেল ডেভেলপমেন্টৰ লগত মাৰ্জ কৰিব লাগে। কেবিনেটেও ইয়াৰ এটা ব্যৱস্থা লৈ আছে আৰু এই ৰুৰেল ডেভেলপমেন্টো পঞ্চায়তত মাৰ্জ কৰিবৰ কাৰণে ডিটেলচ চাই থকা হৈছে। আৰু এই পঞ্চায়ত আইনখন কেইবাবাৰো সংশোধন কৰা হৈছে। কিন্তু বাইজৰ মনঃপুতঃ হোৱা নাই কাৰণে পুনৰ পঞ্চায়ত আইনখন পুনৰ সংশোধনৰ কাৰণেই কাম চলি আছে। দুই এদিনৰ ভিতৰতে বিল খন আনিব পৰা হব। আৰু তাৰ আগতে পঞ্চায়ত মন্ত্ৰীয়ে যিটো পৰামৰ্শ আগবঢ়াইছে সেইটো কথা কৈছে যে মাননীয় বিধায়ক সকলে আলোচনা কৰিব পাৰিব আৰু তেতিয়া এইটো সহজ হব। লিখালিখি কৰি থাকিলে পলম হব। ইতিমধ্যে আমাৰ দলত এইটো আলোচনা হৈছে। আৰু ইতিমধ্যে তেখেতে পৰামৰ্শ বিচাৰিছে। পঞ্চায়ত মন্ত্ৰীৰ লগত মাননীয় বিধায়ক সকল বহিলে এইটো সহজ হৈ পৰিব। মাননীয় দাস ডাঙৰীয়াই কৈছে যে বেচি টকা খৰচ হৈছে। অৱশ্যে এই ক্ষেত্ৰত দুই চাৰিটা বেমেজালি হব পাৰে। এই বছৰতোত সৰ্বমুঠ ৫ শ ৩৯ কোটি টকা খৰচ হৈছে। গড়ে প্ৰতি দিনে খৰচ হয় ১ কোটি ৮৫ লাখ টকা উন্নয়ন মূলক কামত খৰচ হয়। ৰাজ্যখনত ৫ শ ৩৯ কোটি টকাৰ কাম কৰিব পাৰিব। ইমান বেচি কাম হোৱাৰ কাৰণে কেতিয়াবা কৰবাত বেমেজালি হব পাৰে। প্ৰতি উন্নয়ন খণ্ডতেই ৩ টাকৈ ৰাষ্টা চাৰে তিনি লাখ মান টকা দিয়া হৈছে। বাকী বিলাক ৰাষ্টা হৈছে এম, এন, পি জৰিয়তে। তাত ২৫।৩৫ হাজাৰ টকা খৰচ হৈছে। আমাৰ ইঞ্জিনীয়াৰ নাই। গাওঁৰ যি সাধাৰণ মানুহ সেই সকলেই মাটিৰ কাম কৰিছে। আৰু দুই চাৰিজন জুনিয়ৰ ইঞ্জিনীয়াৰ দিয়া হৈছে আৰু যিমান খিনি টকা খৰচ হৈছে সিমান দিব পৰা নাই আৰু ৰুৰেল ডেভেলপমেন্ট ডিপাৰ্টমেন্টেও কোনো ইঞ্জিনীয়াৰ দিব পৰা নাই। ৰাজ্যখনত প্ৰতি দিনে গ্ৰামোন্নয়নত খৰচ হৈছে ১ কোটি ৮৫ লাখ টকা। এই যিবিলাক টকা উন্নয়নমূলক কামত খৰচ কৰা হৈছে সেই বিলাক ঠিকমতে খৰচ হৈছে নে নাই সেইক্ষেত্ৰত বিধায়ক সকলে মনযোগ দিব লাগে। ইঞ্জিনীয়াৰিং এক্সপাৰ্ট নাই কাৰণেই আমি নিজেই মনযোগ দিব লাগে। মই নিজেই গাওঁৰ ভিতৰুৱা অঞ্চললৈকে গৈছো আৰু আচৰিত হৈছো যে গাওঁৰ সাধাৰণ মানুহে ইমান ভাল কাম কৰিছে। আৰু যিবিলাক ঠাইত হোৱা নাই সেই বিলাক মাননীয় সদস্য সকল গৈ মনযোগ দিয়াতো উচিত। এইখিনি কথা মাননীয় সদস্য সকলে ধ্যান দিব বুলি আশা কৰিলো।

শ্ৰীতিলক গগৈ (মন্ত্ৰী) :— মই এটা তাৰিখ দি মাতিম।

Shri BINOY KUMAR BASUMATARI.—Sir, as stated by the Chief Minister we can sit tomorrow. My second point is that allocation for the road has not yet been released. What is the present position?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) :— এই এষ্টিমেট বিলাক দিল্লীৰ পৰা এতিয়াও অহা নাই। ৩১ মাৰ্চৰ আগতে এই টকা খিনি লেপচ নহয়। ১৯৮০-৮১, ১৯৮১-৮২ চনত আৰু ১৯৮২-৮৩ চনত আই, আৰ, ডি, পি ৰ বহুতো কাম হোৱা নাছিল। ১৯৮০-৮১ চনত ৮০ হাজাৰ ৪ শ পৰিয়ালক বেনিফিট দিয় হৈছে। কেইদিনমান আগতে ৰেলওৱে মিনিষ্টাৰৰ পৰা এখন চিঠি পাইছো তেখেতে সেইখিনি সময়ৰ টকা ৭ কোটি ১ লাখ ঘূৰাই দিছে। আমাৰ আৰ, এল, ই, অ, পি, এম, আৰু, ই, পি

আৰু আই, আৰ, ডি, পি, ত যিবিলাক টকা খৰচ নোহোৱাকৈ আছে সেইবিলাক খৰচ কৰিবলৈ চেষ্টা চলাই থকা হৈছে। এই টকা বিলাক লেপচ নহয়। আমাৰ ডিষ্ট্ৰিক যিবিলাক ডি, আৰ, ডি, এ আছে সেইবিলাক ৰেজিষ্টাৰ হৈ আছে গতিকে যিটো টকা যায় সেইটো ডি, চি ৰ হাতলৈ যায়। ৩১ মাৰ্চৰ ভিতৰত কিছু কাম সম্পূৰ্ণ হব। এই টকাতো লেপচ হব নোৱাৰে। আমি পিচৰ মাহতো কাম বিলাক কৰিব পাৰিম।

Mr. DEPUTY SPEAKER.—Is it the pleasure of the House to grant leave to withdraw the cut motions?

(voices 'yes' 'yes').

The leave is granted and the cut motions stand withdrawn. Now I put the main motion that a sum of Rs. 12,34,93,000 be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1986 for the administration of "Community Development".

Grant No. 62 is passed. Now Grant No. 25.

Shri HITESWAR SAIKIA (Chief Minister).—On the recommendation of the Governor of Assam, I beg, Sir, to move that a sum of Rs. 65,11,000, be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1986 for the administration of "Guest Houses, Government Hostels, etc."

Mr. DEPUTY SPEAKER.—There is no cut motion on this grant. I am putting main motion that a sum of Rs.65,11,000 be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1986 for the administration of "Guest Houses, Government Hostels, etc."

Grant No. 25 is passed. Now Grant No. 33.

Shri HITESWAR SAIKIA (Chief Minister).—On the recommendation of the Governor of Assam, I beg, Sir to move that a sum of Rs. 2,75,000 be granted to the

Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1986 for the administration of "State Archives".

Mr. DEPUTY SPEAKER.—There is not cut motion on this grant. I am putting the main motion that a sum of Rs. 2,75,000 be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1986 for the administration of "State Archives".

Grant No. 33 is passed. Now Grant No. 39.

Shri HITESWAR SAIKIA.—On the recommendation of the Governor of Assam, I beg, Sir, to move that a sum of Rs.1,00,58,000, be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1986 for the administration of "Information and Publicity".

Mr. DEPUTY SPEAKER.—There is cut motion on this grant to be moved by Chandradhar Kalita.

*Shri CHANDRADHAR KALITA.—Sir, I beg to move that the total provision of Rs. 1,00,58,000 under Grant No. 39 in respect of "Information and Publicity" at pages 80-89 of Volume II, Part V of the Budget, be reduced to Re. 1, i. e., the amount of the whole grant of Rs. 1,00, 58,000 do stand reduced to Re. 1.

উপাধ্যক্ষ মহোদয়, এই মঞ্জুৰীৰ শিতানত কৰ্ত্তন প্ৰস্তাৱৰ ওপৰত ইনফৰমেচন এণ্ড পাবলিচিটিৰ ক্ষেত্ৰত দুটামান কথা কব বিচাৰিছো। এখন শিক্ষিত সভ্য সমাজত ৰাইজৰ সাধাৰণ প্ৰচাৰ আৰু প্ৰচাৰ যন্ত্ৰটো নিৰপেক্ষ হোৱা উচিত। কিয়নো আমাৰ বহুতৰে বহুত অভাৱ-অভিযোগ আৰু ইচ্ছা আকাংখা আছে। সেইবিলাক এই প্ৰচাৰ যন্ত্ৰটোৰ দ্বাৰা প্ৰতিফলিত হোৱাতো উচিত। কিন্তু এখন সভ্য দেশৰ শাসনত অধিষ্ঠিত দলে যদি চৰকাৰক এক পক্ষীয় ভাবে এই প্ৰচাৰ যন্ত্ৰটোৰ সুবিধা লৈ থাকে তেতিয়া হলে এই প্ৰচাৰ যন্ত্ৰৰ পৰা দেশৰ অগনন জনতাই সুবিচাৰ নাপাব। আৰু সেই কাৰণে এই কৰ্ত্তন প্ৰস্তাৱ সমৰ্থন কৰি মই আজি দুষাক্মান কব বিচাৰিছো। আৰু কিছুদিন আগতে অমিতাভ বচ্চন আমাৰ ইয়ালৈ আহোতে গাড়ী ঘোৰা ইত্যাদিত যিমান খৰচ কৰা হল এইটো ৰাজহুৱা ধনৰ অপব্যয় কৰা হৈছে। এইটো যদিও নপৰে বুলি কৈছে ফিলিম বা প্ৰচাৰৰ ক্ষেত্ৰত পৰে। আজিৰ দিনত বাতৰি কাকতত যিবিলাক বিজ্ঞাপ্তি দেখা যায় সেই বিলাক আমাৰ সাধাৰণ জনসাধাৰণে যিবিলাক বাতৰি কাকত পঢ়ে বা পঢ়িবলৈ সুবিধা পায় সেইবিলাকত প্ৰচাৰ নহয়। কিন্তু যিবিলাক ৰাইজে নপঢ়ে তেনেধৰণৰ কিছুমান বাতৰি কাকত আছে সেইবিলাকত যথেষ্ট ব্যয় কৰি প্ৰচাৰৰ কাৰণে বিজ্ঞাপ্তি দিয়ে। ফলত দুখীয়া ৰাইজ ইয়াৰ পৰা কোনো প্ৰকাৰেই উপকৃত নহয়।

তাৰ ওপৰত মই এটা কথা কব বিচাৰিছো। নিউজ প্ৰিণ্টত যিবিলাক কথা বাতৰিত দিয়া হয় সেইবিলাক প্ৰচাৰ ঠিকমতে নহয়। এই বিষয়ে দৃষ্টি দিব লাগে আমাৰ চংচ এন্দ দ্ৰামাৰ ক্ষেত্ৰতো —

Mr. DEPUTY SPEAKER.— Mr. Kalita you are wasting your time on a cut motion and wasting time of the House.

*Speech not corrected

শ্ৰীচন্দ্ৰ ধৰ কলিতা :— (গণ্ডগোল) মই বহাৰ প্ৰশ্ন নাই। মাননীয় মুখ্যমন্ত্ৰীয়ে ক্লাৰিফিকেশ্যন দিয়ক।

শ্ৰীহেমেন দাস :— উপাধ্যক্ষ মহোদয়, মই এটা কথা কবলৈ বিচাৰিছো যে, যোৱা বাৰ বাজেট অধিবেশনত ৰাজ্যপালৰ ভাষণত কোৱা হৈছিল যে, সাংবাদিক সকলক অসম পৰিবহন নিগমৰ বাছত বিনামূলীয়া ভ্ৰমণৰ বাবে, চাৰ্কিট হাউচত থকাৰ সুবিধা দিয়া আদিৰ কথা আৰু আন্তঃ ৰাজ্যিক বিনা-মূলীয়া ভ্ৰমণৰ কথা কৈছিল। কিন্তু সাংবাদিক সকলৰ পৰা জানিব পৰা গৈছে যে, চৰকাৰৰ ফালৰ পৰা সেইটো ৰক্ষা কৰা হোৱা নাই। তেওঁলোকে এই সুবিধা বিলাক এতিয়াও পোৱা নাই। মই আশাকৰো চৰকাৰে তেওঁলোকৰ এই সুযোগ সুবিধা বিলাক দিয়াৰ যি প্ৰতিশ্ৰুতি দিছিল সেইবিলাক যাতে চলিত বছৰৰ পৰা দিবলৈ চেষ্টা কৰে তাৰ বাবে অনুৰোধ কৰিলো।

*শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) :— মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীচন্দ্ৰধৰ কলিতা ডাঙৰীয়াই ভালেখিনি কথা উত্থাপন কৰিছে। তেখেতে প্ৰথমে কৈছে যে, আমাৰ প্ৰচাৰ বিভাগটো নিৰপেক্ষ হোৱা নাই। মই এইটো অস্বীকাৰ নকৰো যে, প্ৰচাৰ বিভাগটো নিৰপেক্ষ হব লাগিব। প্ৰচাৰ বিভাগে সদায় সত্য কথাই পৰিবেশন কৰিব লাগিব। তেখেতে নিৰপেক্ষ মানে কোনটো বুজাইছে কব নোৱাৰিলো। কিন্তু চৰকাৰৰ প্ৰচাৰ কাৰ্য্যৰ কাম হৈছে চৰকাৰৰ যিবিলাক কাম সেইবিলাকেই প্ৰচাৰ বিভাগে প্ৰচাৰ কৰে। চৰকাৰৰ কাম-কাজৰ কথা প্ৰচাৰ কৰিবলৈ যাওতে যদি নিৰপেক্ষ হোৱা নাই বুলি ভাবিছে সেইটো নিশ্চয় সঠিক ভাবে কবপৰা নাই। প্ৰচাৰ বিভাগে কোনো দলৰ কথা প্ৰচাৰ নকৰে। চৰকাৰৰ মূল কাৰ্য্য আৰু মন্ত্ৰী সকলৰ ভ্ৰমণৰ নীতি নিৰ্দ্ধাৰণৰ কথা প্ৰচাৰ বিভাগে প্ৰচাৰ কৰে। এক পক্ষৰ কথা প্ৰচাৰ কৰা আমাৰ লক্ষ্য নহয়। মাননীয় অমিতাভ বচ্চন অহাৰ সময়ত চৰকাৰৰ বিশেষ খৰচ হোৱা নাই আমাৰ জ্যোতি প্ৰসাদ আগৰৱালাৰ প্ৰথম অসমীয়া কথাছবি 'জয়মতী' ৰ ৫০ বছৰীয়া সোনালী জয়ন্তী উদ্‌যাপন কৰিবলৈ প্ৰচাৰ বিভাগেই আনিছিল। ষ্টেট গেষ্ট হিচাবেই চৰকাৰৰ যি খৰচ হৈছে। এক্টৰ বা আৰ্টিষ্ট হিচাবে চৰকাৰৰ ফালৰ পৰা খৰচ দিয়া হোৱা নাই। মাননীয় সদস্য কলিতা দেৱে চংচ এণ্ড ড্ৰামাৰ কথা কৈছে। এইটো আমাৰ ইয়াত আছে এই কাৰণেই যে, কেতিয়াবা নৃত্য নাটিকা আদি হলে প্ৰচাৰ বিভাগে প্ৰচাৰ কৰে। মাননীয় হেমেন দাস ডাঙৰীয়াই কোৱা কথা সচাঁ। আমি যোৱা বাৰ ৰাজ্যপালৰ ভাষণত কৈছিলো। কেইটামান কথাৰ বাবেই আমি কাম খিনি সম্পূৰ্ণ কৰিব পৰা নাই। আমাৰ কেইটা নিয়ম সংশোধন কৰাত পলম হৈছিল। এতিয়া কমিটি কৰি দিয়া হৈছে। মুখ্য সচিবক চেয়াৰমেন কৰি দিছো অতি সোনকালে এইখিনি পোৱাৰ ব্যৱস্থা কৰা হব। পৰিবহন নিগমৰ বাছত আঢ়ৈ হাজাৰ কিলোমিটাৰ বিনামূলীয়া ভ্ৰমণ আৰু অন্যান্য সা-সুবিধাও দিয়া হৈছে, সেইখিনিও কাৰ্য্যকৰী কৰিব পৰা নাই। এইখিনি সোনকালে কৰাৰ ব্যৱস্থা কৰা হব। মই মাননীয় সদস্য কলিতা ডাঙৰীয়াক কৰ্ত্তন প্ৰস্তাৱটো উঠাই লবলৈ অনুৰোধ কৰিলো।

শ্ৰীচন্দ্ৰধৰ কলিতা :— উপাধ্যক্ষ মহোদয়, যান্ত্ৰিক ভাবে কৰ্ত্তন প্ৰস্তাৱটো উঠাই লোৱা টান নহয়। কিন্তু মই মোৰ ক্লাৰিফিকেচন খিনি পোৱা নাই। চংচ এণ্ড ড্ৰামাৰ জৰিয়তে আমাৰ চিনেমা দেখুৱাৰ ব্যৱস্থা আছে। কোনোবা মন্ত্ৰী আহিব বুলিও মঞ্চ ব্যৱহাৰ কৰা হয়। দলীয় উন্নতিৰ কাৰণে সীমা-ৰেখাৰ বাহিৰত কাম-কাজ হয়। গতিকে মই এটা স্পষ্টিকৰণ বিচাৰিছো। গতিকে মই সন্তোষ্ট হোৱা নাই বাবেই এই কৰ্ত্তন প্ৰস্তাৱটো উঠাই লব নোৱাৰিলো।

(The cut motion was put to vote and lost)

HON'BLE DEPUTY SPEAKER.—Now, I put the motion that a sum of Rs. 1,00,58000 be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending 31st March, 1986 for the administration of Information and Publicity.

Grant No. 39 is passed Now Grant No. 26.

Shri HITESWAR SAIKIA (Chief Minister).—Sir, on the recommendation of the Governor of Assam, I beg to move that a sum of Rs. 28,95,000, be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending 31st March, 1986 for the administration of 'Administrative Training'.

Mr. DEPUTY SPEAKER.—As there is no cut motion I put the motion that a sum of Rs. 28,95,000 be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending 31st March, 1986 for the administration 'Administrative Training.

Grant No. 26 is passed.

Mr. DEPUTY SPEAKER.—Now Grant No. 2. Chief Minister to move.

Shri HITESWAR SAIKIA ( Chief Minister ).—On the recommendation of the Governor of Assam, I beg, Sir, to move that a sum of Rs. 75,15,000 be granted to the Minister–in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1986 for the administration of "Council of Ministers"

শ্ৰীহেমেন দাস :— উপাধ্যক্ষ মহোদয়, আমাৰ জনসংখ্যাৰ তুলনাত মন্ত্ৰীৰ সংখ্যা খুব বেছি হৈছে। যিটো কেন্দ্ৰীয় চৰকাৰৰ লগত সমান হৈ উঠিছে কিন্তু ভাৰতৰ জনসংখ্যা হৈছে ৭০ কোটি আৰু আমাৰ হৈছে মাত্ৰ ২ কোটি গতিকে মন্ত্ৰীৰ সংখ্যা কমোৱাৰ কিবা চিন্তা কৰিব নেকি ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) :— উপাধ্যক্ষ মহোদয়, মই আগতেই কৈছো যে ৰাজ্যখনৰ বিশেষ পৰিস্থিতি আৰু জনগোষ্ঠীলৈ চাইহে আমাৰ ৰাজ্যখনৰ মন্ত্ৰী সভা গঠন কৰা হৈছে। মাননীয় সদস্যজনে নিজেই জানে যে আমাৰ কাষৰীয়া উত্তৰপূৰ্বাঞ্চলৰ ৰাজ্যৰ মন্ত্ৰীৰ সংখ্যাও সৰহ। এই দিশটো বিবেচনা কৰিয়েই আমাৰ মন্ত্ৰী সভা গঠন হৈছে, ভাৰতীয় জনসংখ্যাৰ ভিত্তিত হোৱা নাই।

শ্ৰীমথুৰা ডেকা :— উপাধ্যক্ষ ডাঙৰীয়া আমাৰ ৩৮ জন মন্ত্ৰী আছে, ১০৪ জন হওক তাত মোৰ আপত্তি নাই। কিন্তু উপাধ্যক্ষ মহোদয় কথা হল মুখ্যমন্ত্ৰী মহোদয়ে মন্ত্ৰী সকলক চম্ভালিব পৰা নাই। তেওঁলোকৰ কিছুমানে এনে কিছুমান কাম কৰিছে যি বোৰে বিধান সভাৰ বই মৰ্য্যাদাহানিকৰ কাম হৈছে। দুই এজনৰ কথা বাতৰিকাকত.ত ওলাইছে। যি সকল মন্ত্ৰী লৈছে আতঙ্কবাৰ কথা উঠা নাই অন্ততঃ তেখেত সকলক পুলিচৰ নজৰত নহাকৈ বা কোনো ব্যভিচাৰত নহাকৈ চম্ভালিবৰ কাৰণে মই অনুৰোধ কৰিলো।

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) :— বাতৰি কাকতত দুই চাৰিটা কথা ওলাইছে, কিন্তু সেই-বিলাকৰ সত্যতা পোৱা নাই। সত্যতা থাকিলে নিশ্চয় ব্যৱস্থা লম।

Mr. DEPUTY SPEAKER.—There is no cut motion to this Grant. Now, I put the main grant that a sum of Rs. 75,15,000 be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1986 for the administration of "Council of Ministers."

Grant No. 2 is passed.

Now, Grant No. 1. Chief Minister to move now.

Shri HITESWAR SAIKIA (Chief Minister).—On the recommendation of the Governor of Assam, I beg, Sir, to move that a sum of Rs. 85,93,000 be granted to the Minister-in-charge to defray the charges whieh will come in course of payment during the year ending the 31st March, 1986 for the administration of "State Legislature."

Mr. DEPUTY SPEAKER.—There is no Cut Motion in this Grant. Now, I put the main Grant that a sum of Rs. 85,93,030 be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1986 for the administration of "State Legislature".

Grant No. 1 is passed.

The House stands adjourned till 10.00 A. M., on Saturday, the 23rd March, 1985.

## ADJOURNMENT

The House then rose at 11-36 A. M, and stood adjourned till 10 A. M. on Saturday, the 23rd March, 1985.

P. D. BARUA,
Secretary,
Assam Legislative Assembly.

Dated, Dispur:
The 22nd March, 1985.

AGP. (Mini)—4/88—1,500—26-3-89